www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যেতিয়া কোনোবা এজন মানুহ অধিক ভোকাতুৰ হয়, তেওঁ খুব ভাল আৰু সুস্বাদু খাদ্যৰ বাবে অপেক্ষা কৰিব নোৱাৰে। —— ফ্রেন্স কাফকা

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐প্ৰথম বছৰ ❐সংখ্যা- ১১৯ ❐ মঙ্গলবাৰ ❐৩ ফেব্ৰুৱাৰী, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 119 ❐ Tuesday ❐ 3rd February, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

■ অসমৰ শিক্ষাখণ্ডত আৰম্ভ এক সোণালী অধ্যায়ৰ ■

# একেদিনাই মুকলি ৬৭খন নৱনিৰ্মিত বিদ্যালয়ৰ ভৱন

## অখিল গগৈৰ চৰকাৰ ৫০০ বছৰ পিছতো অসমত নাহে; মুখ্যমন্ত্ৰীৰ কটাক্ষ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে সোণাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন গুৰুত্বপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যজুৰি ৬৭খন নতুনকৈ নিৰ্মিত অত্যাধুনিক বিদ্যালয় ভৱন উদ্বোধন কৰে আৰু আন ৬১খন বিদ্যালয়ৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। এই পদক্ষেপক ৰাজ্যৰ শৈক্ষিক আন্তঃগাঁথনিৰ এক নতুন দিগন্ত বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে ২০৩০ চনৰ ভিতৰত অসমৰ প্ৰতিখন চৰকাৰী বিদ্যালয়ত আধুনিক ভৱন নিৰ্মাণ সম্পূৰ্ণ হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে 'গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি' (RIDF)ৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰীৰ বিশেষ ❐ ৬ পৃষ্ঠাত

■ তিনিগৰাকী যুৱকৰ দুগৰাকী পলায়ন; চালকক আৰক্ষীৰ আটক ■

# গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সমীপত অল্ট' বাহনৰ ডিভাইডাৰত খুন্দা; নিহত নিহা দাস



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সমীপত আজি এখন ভয়ংকৰ দুৰ্ঘটনাত এগৰাকী যুৱতীৰ থিতাতে মৃত্যু হৈছে। মৃত যুৱতীগৰাকী ফটাশিল আমবাৰীৰ বাসিন্দা নিহা দাস বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, এখন অল্ট' বাহনে ৰাস্তাৰ নিয়ন্ত্ৰণ হেৰুৱাই মধ্যৱৰ্তী ডিভাইডাৰত ❐ ৬ পৃষ্ঠাত



Dated 2nd day of February, 2026

To,

The Officer-in-Charge,
Latasil Police Station
Guwahati, Kamrup (M)
Assam

Sub: FIR against Shri Himanta Biswa Sharma, the Chief Minister of Assam for his inflammatory, communal and provocative statements

Sir,

We, the following members of Assam Civil Society have the honor to inform you that Shri Himanta Biswa Sarma, the Chief Minister of Assam made some provocative and hate and communal speeches on 24th, 25th, 26th, 27th, 28th and 29th January, 2026 before the press and the same have been widely circulated both in print as well as electronic media. On going through the said communal and provocative statements of Himanta Biswa Sarma, the Chief Minister of Assam telecast in

বঙ্গমূলীয় মুছলমানৰ বিৰুদ্ধে প্ৰৰোচনামূলক ভাষণৰ অভিযোগ; ১৮ পৃষ্ঠাৰ এজাহাৰ

## মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে লতাশিল থানাত এজাহাৰ অসম চিভিল ছ'চাইটিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত কেইদিনমান ধৰি ❐ ৬ পৃষ্ঠাত

১৫,৫৫৫ গৰাকী নামতিৰ ৱৰ্ল্ড ৱাইড বুকছ অৱ ৰেকৰ্ডত অন্তৰ্ভুক্তি

## শিৱসাগৰৰ জেৰেঙা পথাৰত দিহানামেৰে বিশ্ব অভিলেখ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ ফেব্ৰুৱাৰী ঃ** আহোম ৰাজ শাসনৰ স্বৰ্ণিল ঐতিহ্য আৰু সতী জয়মতীৰ মহান ত্যাগৰ স্মৃতি বিজড়িত শিৱসাগৰৰ ঐতিহাসিক জেৰেঙা পথাৰ আজি ভক্তিৰ সাগৰত পৰিণত হয়। ৰাজ্যৰ গাঁৱে-ভূঞেৰে সৰ্বাধিক জনপ্ৰিয় দিহা নামৰ ❐ ৬ পৃষ্ঠাত

উন্মোচন কংগ্ৰেছ আমোলৰ ব্যৰ্থতা আৰু কলংক

## 'অসম আৰু উত্তৰ-পূবত কংগ্ৰেছৰ কোনো স্থান নাই'

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২ ফেব্ৰুৱাৰী ঃ** লোকসভাত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ অভিভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাত শাসকীয় দল বিজেপিৰ হৈ প্ৰথমগৰাকী বক্তা হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী ❐ ৬ পৃষ্ঠাত



প্ৰধান সম্পাদক দেৱজিৎ বৰাৰ প্ৰতিক্ৰিয়া-
মতভেদ স্বাভাৱিক, শৃংখলা ৰক্ষাৰ দায়িত্ব সকলোৰে

## অসম সাহিত্য সভাৰ অধিৱেশনৰ প্ৰতিনিধি সভাত উত্তপ্ত পৰিস্থিতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ ফেব্ৰুৱাৰী ঃ** অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন গুৱাহাটী অধিবেশনত বিভিন্ন বিষয়ক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। পতাকা উত্তোলনকাৰীক গামোচা পিন্ধোৱা-নিপিন্ধোৱা, সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত নকৰা, ❐ ৬ পৃষ্ঠাত








# ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ সন্থাৰ মাহাত্মা গান্ধীৰ স্মৃতি দিৱসত সৰ্বধৰ্ম প্ৰাৰ্থনা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩১ জানুৱাৰী ঃ** জানুৱাৰী মাহৰ ১৭ তাৰিখে শিল্পী দিৱস উদ্‌যাপনেৰে আৰম্ভ হোৱা ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ প্ৰতিষ্ঠা দিৱস আৰু পেঞ্চনাৰ পযেকৰ অংশ হিচাপে ৩০ জানুৱাৰীৰ কাৰ্যসূচীত "মহাত্মা গান্ধীৰ স্মৃতি দিৱস" ডিব্ৰুগড় শাখাই পালন কৰে। এই কাৰ্যসূচী মতে মহাত্মা গান্ধীৰ প্ৰতিকৃতিত মাল্যাপৰ্ণ আৰু বন্তি প্ৰজ্বলন কৰে শাখাৰ সভাপতি দিলীপ কুমাৰ দাস, উপসভাপতি তৰুণ গগৈ, উপদেষ্টাদ্বয় গুৰনাম সিংহ আৰু ভুৱন মোহন দাসে। সম্পাদক মৃদুল শৰ্মাই আতঁ ধৰা অনুষ্ঠানটিত সৰ্বধৰ্ম সভাত প্ৰথমে গীতা পাঠ কৰে উমানন্দ বৰুৱা, বাইবেল পাঠ কৰে ডেভিদ ৰয় আৰু কোৰান পাঠ কৰে পাঠানপট্টি মছজিদৰ পেচ ইমাম আলহজ জোনাব ফৰমান হুছেইনে। নিৰ্দিষ্ট বক্তা হিচাপে প্ৰাক্তন উপদেষ্টা সীতাৰা খাতুনে ভাষণ প্ৰসঙ্গত গান্ধীজীয়ে বৃটিছৰ পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত হৈ ভাৰতবৰ্ষ স্বাধীন হোৱাত কেনেকুৱা ভূমিকা গ্ৰহণ কৰিছিল আৰু গান্ধীজীয়ে কি অৱস্থাত মৃত্যুক আকোৱালী লৱ লগা হৈছিল, তাৰ সবিশেষ বৰ্ণনা ৰাইজৰ আগত দাঙি ধৰে। সভাত সন্থাৰ কেবাজনো সদস্যই গান্ধীজীৰ কৰ্মৰাজিৰ ওপৰত বক্তব্য ৰাখে।

## উপৰি-পুৰুষৰ আশীৰ্বাদ বিচাৰি ৰাজহুৱা প্ৰাৰ্থনা

# মৰিয়নিত 'মে-ডাম-মে-ফী' উদ্‌যাপন

**অসম বাৰ্তা, মৰিয়নি, ৩১ জানুৱাৰী ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু), মৰিয়নি আঞ্চলিক সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ মৰিয়নিবাসী ৰাইজৰ সহযোগত মৰিয়নিৰ কেনেডিপাৰ্ক বেংগলী প্ৰাথমিক বিদ্যালয় প্ৰাংগনত তাইআহোমসকলৰ পবিত্ৰ ধৰ্মীয় উৎসৱ 'মে-ডাম-মে-ফী' অতি গাম্ভীৰ্যপূৰ্ণভাৱে উদ্‌যাপন কৰা হয়। ত্ৰয়োদশ শতিকাতে বৰ অসমৰ ভেটি গঢ়া স্বৰ্গদেউ চাওলুং চুকাফাই দেখুৱাই যোৱা সমন্বয়ৰ আদৰ্শক সৰোগত কৰি পুৱাৰ পৰাই কেনেডিপাৰ্ক অঞ্চলত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। পবিত্ৰ ধৰ্মীয় পৰম্পৰা অনুসৰি উপৰি-পুৰুষৰ পূজাসমূহ সম্পন্ন কৰা হয়। 'মে-ডাম-মে-ফী'ৰ অৰ্থ ব্যাখ্যা কৰি আয়োজকসকলে কয় যে এইপূজাৰ জৰিয়তে উপৰি-পুৰুষৰ সৈতে অশাৰীৰিক যোগসূত্ৰ স্থাপন কৰি দেশ আৰু সমাজৰ মংগলৰ বাবে আশীৰ্বাদ বিচৰা হয়। আটাছুৰ মৰিয়নি আঞ্চলিক সমিতিৰ সভাপতি চাও ঋতুৰাজ গগৈ আৰু সম্পাদক চাও লৰেঞ্চ গগৈয়ে অনুষ্ঠানটো সফল কৰি তোলাৰ বাবে মৰিয়নিবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। কেনেডিপাৰ্ক বেংগলী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত বিভিন্ন জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰি সমন্বয়ৰ নিদৰ্শন দাঙি ধৰে। সন্ধিয়া বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

## যোৰহাট-মাজুলী দলংক লৈ সংবাদমেলত কংগ্ৰেছৰ হৰমিত বাৰেজাৰ অভিযোগ

# নিৰ্বাচনৰ সময়ত কাম, নিৰ্বাচন শেষ হ'লে বন্ধ

**অসম বাৰ্তা, উজনী মাজুলী, ৩১ জানুৱাৰী ঃ** উজনি অসমৰ বিভিন্ন জিলাৰ লগতে আজি মাজুলীতো নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ দুই মিডিয়া সমন্বয়ক ক্ৰমে নিলাভ শুক্লা আৰু হৰমিত বাৰেজাই মাজুলীৰ তথা অসমৰ বিভিন্ন সমস্যাৰাজীৰ ওপৰত সংবাদমেল সম্বোধন কৰে। গড়মূৰ স্থিত মাজুলী জিলা কংগ্ৰেছৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি প্ৰথমে হৰমিত বাৰেজাই কয় প্ৰাক্তন মুখ্যমন্ত্ৰী সমষ্টি হৈয়ো মাজুলী এতিয়া পিছপৰি আছে। এতিয়াও সৰু ফেৰীৰে মাজুলীলৈ যাতায়ত কৰিব লাগে ৰাইজে। মাজুলীৰ সৌন্দৰ্য্যতাৰ বিপৰীতে মাজুলী এতিয়াও পৰ্যটনৰ কেন্দ্ৰ বিন্দু কৰি গঢ়ি তুলিবলৈ চৰকাৰ সক্ষম হোৱা নাই। ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰি নদীয়ে ক্ৰমে মাজুলীক সংকুচিত কৰি আহিছে। কিন্তু তাৰ পিছতো চৰকাৰ খনে মাজুলীক সুৰক্ষা দিবলৈ সক্ষম হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। ইফালে মাজুলীৰ স্বাস্থ্য খণ্ডৰ সন্দৰ্ভত ক'বলৈ গৈ তেওঁ কয় মাজুলীৰ দুই লক্ষ জনসাধাৰণৰ বাবে মাত্ৰ ৫০ গৰাকী চিকিৎসক আছে। মাজুলীৰ স্বাস্থ্য কেন্দ্ৰ, উপ-স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা সীমিত হোৱাৰ লগতে যিখন জিলা চিকিৎসালয় আছে তাতো প্ৰয়োজনীয় চিকিৎসা সজুঁলি, চিকিৎসা কৰ্মী আৰু চিকিৎসকৰ অভাৱ বুলি তেওঁ উল্লেখ কৰে। নেত্ৰী গৰাকীয়ে আৰু কয় যে যোৰহাট মাজুলী সংযোগী দলংখনক লৈয়ো বিজেপিয়ে ৰাজনীতি কৰি আহিছে। যেতিয়া নিৰ্বাচন আহে তেতিয়াহে দুই তিনি মাহৰ কাৰণে কাম কৰি দেখুৱাই তাৰ পিছত নিৰ্বাচন গ'লে পুনৰ বন্ধ হৈ পৰে বুলি তেওঁ উল্লেখ কৰে। ইফালে সংবাদমেলত উপস্থিত থাকি নিলাভ শুক্লাই অসমৰ সম্পদক লৈ কেন্দ্ৰই যিখিনি প্ৰাপ্ত অসমক দিব লাগে সেয়া পৰ্যাপ্ত নহয় বুলি উল্লেখ কৰে। উজনি অসমত চাহ, তেল তথা বিভিন্ন উদ্যোগ থকাৰ পিছতো নিবনুৱা সমস্যা কিয় বৃদ্ধি পাইছে বুলি উল্লেখ কৰে। তেওঁ অসমৰ বিভিন্ন সমস্যাৰাজীক লৈ চৰকাৰক প্ৰশ্ন তোলাৰ লগতে অসমৰ ছয় জনগোষ্ঠীয়ে জনজাতিকৰণৰ নামত আশ্বাসৰ বাহিৰে ইমানদিনে একো পোৱা নাই বুলি উল্লেখ কৰে। ইফালে বিজেপিয়ে অৰুণোদয় আঁচনি জৰিয়তে মহিলা সৱলীকৰণ কৰা নাই এয়া ভোট কিনাৰ ৰাজনীতি বুলি উল্লেখ কৰি অৰুণোদয় ১২ শ টকাৰে এটা চিলিণ্ডাৰো নাপায় বুলি উল্লেখ কৰে। সংবাদমেলত মাজুলী জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰীৰ লগতে অন্যান্য দলীয় নেতৃবৃন্দ উপস্থিত থাকে।

# দুজনকৈ মহীৰুহক সুঁৱৰি চেণ্ট টেৰেচা ইংলিছ মিডিয়াম স্কুলৰ ২৪তম বাৰ্ষিক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩১ জানুৱাৰী ঃ** বৰপেটাৰ অগ্ৰণী ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় চেণ্ট টেৰেচা ইংলিছ মিডিয়াম স্কুলৰ ২৪তম্ বাৰ্ষিক দিৱস জাকজমকতাৰে উদ্‌যাপন কৰা হয়। বৰপেটা চহৰৰ দঙৰকুছিত অৱস্থিত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় চেণ্ট টেৰেছা ইংলিছ মিডিয়াম স্কুলৰ বাকৰিত ব্যয়বহুল ব্যৱস্থাপনাৰে উদ্‌যাপন কৰা হয়। ২৪ তম বাৰ্ষিক দিৱস উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য-গীতৰ লগতে জুবিন গাৰ্গৰ গীতৰ ওপৰতো সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। ইয়াৰ উপৰিও সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকে হাৰ্টথ্ৰৱ জুবিন গাৰ্গ অভিনীত কাঞ্চনজংঘা চিনেমাখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰা অভিনেত্ৰী পিংকি শৰ্মাৰ লগতে কুৰৱীৰ পজা চিনেমা প্ৰযোজক তথা কাহিনী নিৰ্মাতা সনাতন কৰ্মকাৰ উপস্থিত থাকে। এই অনুষ্ঠানতে চাৰু কলা শিল্পী নিৰ্জুৰাজ দাসে থিতাতে হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ চিত্ৰ অংকন কৰি শ্ৰদ্ধাঞ্জলি জনায়। উল্লেখযোগ্য যে, বিদ্যালয় খনে অসমৰ দুজনকৈ মহীৰুহ ড° ভূপেন হাজৰিকা আৰু ড° জুবিন গাৰ্গক সুঁৱৰি বিদ্যালয়ৰ ২৪তম্ বাৰ্ষিক দিৱস উদ্‌যাপন কৰে। বিদ্যালয়খনৰ অধ্যক্ষ তথা সঞ্চালক প্ৰধান ভেৰু কুমাৰ শৰ্মাৰ এনে পদক্ষেপক অভিভাৱকসকলে আদৰণি জনায়।

## নলবাৰী সত্ৰত ঈশ্বৰ চন্দ্ৰ গোস্বামীৰ প্ৰথম মৃত্যু বাৰ্ষিকী পালনত ড° মণি শৰ্মা

# নিস্বাৰ্থভাৱে কাম কৰিলে সমাজে সন্মান দিয়ে



**অসম বাৰ্তা, নলবাৰী, ৩১ জানুৱাৰী ঃ** নিস্বাৰ্থভাৱে কাম কৰিলে সন্মান লাভ কৰিবই। প্ৰয়াত সাহিত্যিক গোস্বামী বাবেই ৰাইজৰ পৰা এনেদৰে মৃত্যুৰ পিছতো বিভিন্ন ব্যক্তি তেওঁৰ কৰ্ম, সমাজৰ প্ৰতি থকা বৰঙণি স্মৃতিগ্ৰন্থত প্ৰকাশ কৰি সন্মান দিছে। ঠিক তেনেদৰে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিয়ে গ্ৰন্থ আকাৰে ৰাইজৰ মাজত তুলি দিয়াৰ বাবে এসময়ত সন্মান পাব। ধৰ্ম হ'ব লাগে মানৱ ধৰ্ম। কৰ্মই ধৰ্ম হলে অৰ্থ আহিবই আজি নলবাৰী সত্ৰত সাহিত্যিক পেন্সনাৰ, সমাজকৰ্মী, শ্ৰম বিষয়া প্ৰয়াত ঈশ্বৰ চন্দ্ৰ গোস্বামীৰ স্মৃতিগাথা শীৰ্ষক স্মৃতিগ্ৰন্থ "ঈশজ্যোতি" উন্মোচন কৰি শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই এইদৰে কয়। সভাত নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ দীপজ্যোতি বৰপূজাৰী ভাষণ ৰাখি কয় যে মৃত্যু হোৱা জনৰ পুনৰ জন্ম হয়। জীৱনৰ আৰম্ভণিতে কান্দিবই লাগিব। কিন্তু জীৱন যাত্ৰাতে আছে অমৰিত সোমাই। যাত্ৰাতে আৰম্ভণি আৰু যাত্ৰাতে শেষ। যি বিচৰা যায় সকলো এই সময়তে পাই। নিজৰ বাবে জিয়াই থকা মানুহ অগণন। কিন্তু সকলোৰে বাবে জিয়াই থকা মানুহ কম। প্ৰয়াত সাহিত্যিক, সমাজকৰ্মী গোস্বামী সকলোৰে বাবে জিয়াই আছিল বুলি দোহাৰে। সভাখন উদ্বোধন কৰি অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক অমূল্য নাথ শৰ্মাই তত্ত্বগধুৰ বক্তব্য ৰাখে। আৰ্য সাহিত্য সভাৰ সভাপতি ড° দীপক গোস্বামীৰ সভাপতিত্বত আৰু লেখক বিপুল কুমাৰ চক্ৰৱৰ্তী আত ধৰা সভাত শিক্ষাবিদ ড° দীনমণি ভাগৱতী, উপন্যাসিক হীৰেন্দ্ৰ নাথ শৰ্মা, প্ৰাক্তন বিধায়ক অশোক শৰ্মা, অৱসৰী শিক্ষক বসন্ত কুমাৰ গোস্বামী, কবি দিলীপ কুমাৰ ভট্টাচাৰ্য ভাষণ ৰাখি প্ৰয়াত গোস্বামীক স্মৰণ কৰে। আদিতে প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত গোস্বামীৰ পত্নী ৰুণিমা গোস্বামীয়ে। কবি ৰুণুমী দেৱী গোস্বামী, মণিকা দেৱী, নয়ন গোস্বামী, পংকজ লোচন শৰ্মা, সাংবাদিক প্ৰাঞ্জল শৰ্মা, দ্বীপেন কলিতা সহ ভালেমান ৰাইজ উপস্থিত থকা সভাত শিল্পী পাৰুল দেৱী গোস্বামী, মনোৰঞ্জন ভাগৱতী, শিশু শিল্পী কৌশিকী কাশ্যপ, শ্ৰেয়াশ্ৰী গোস্বামী, কাশভী গোস্বামী, জিয়ান গোস্বামীয়ে গীত পৰিৱেশন কৰাৰ লগতে বাদ্য সংগত কৰে শিল্পী ধীৰেণ বৈশ্য, দিগন্ত কলিতাই।

# দুজনকৈ মহীৰুহক সুঁৱৰি চেণ্ট টেৰেচা ইংলিছ মিডিয়াম স্কুলৰ ২৪তম্ বাৰ্ষিক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩১ জানুৱাৰী ঃ** বৰপেটাৰ অগ্ৰণী ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় চেণ্ট টেৰেচা ইংলিছ মিডিয়াম স্কুলৰ ২৪ তম্ বাৰ্ষিক দিৱস জাকজমকতাৰে উদযাপন কৰা হয়। বৰপেটা চহৰৰ দঙৰকুছিত অৱস্থিত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় চেণ্ট টেৰেছা ইংলিছ মিডিয়াম স্কুলৰ বাকৰিত ব্যয়বহুল ব্যৱস্থাপনাৰে উদ্‌যাপন কৰা হয়। ২৪ তম বাৰ্ষিক দিৱস উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য-গীতৰ লগতে জুবিন গাৰ্গৰ গীতৰ ওপৰতো সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। ইয়াৰ উপৰিও সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকে হাৰ্টথ্ৰৱ জুবিন গাৰ্গ অভিনীত কাঞ্চনজংঘা চিনেমাখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰা অভিনেত্ৰী পিংকি শৰ্মাৰ লগতে কুৰৱীৰ পজা চিনেমা প্ৰযোজক তথা কাহিনী নিৰ্মাতা সনাতন কৰ্মকাৰ উপস্থিত থাকে। এই অনুষ্ঠানতে চাৰু কলা শিল্পী নিৰ্জুৰাজ দাসে থিতাতে হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ চিত্ৰ অংকন কৰি শ্ৰদ্ধাঞ্জলি জনায়। উল্লেখযোগ্য যে, বিদ্যালয় খনে অসমৰ দুজনকৈ মহীৰুহ ড° ভূপেন হাজৰিকা আৰু ড° জুবিন গাৰ্গক সুঁৱৰি বিদ্যালয়ৰ ২৪তম বাৰ্ষিক দিৱস উদ্‌যাপন কৰে।

## কেনপাচৰ সমীপত হোৱা গৰাখহনীয়া ৰোধৰ নাই কোনো প্ৰচেষ্টা

# হাতীঘুলীৰ গৰাখহনীয়া ৰোধৰ নামত প্ৰহসন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ গৰাখহনীয়া প্ৰৱন ছৈখোৱাৰ হাতীঘুলী অঞ্চলত জলসম্পদ বিভাগে গৰাখহনীয়া ৰোধৰ বাবে চলাই থকা কামত অঞ্চলটোৰ ৰাইজ সন্তুষ্ট হ'ব পৰা নাই। আজি ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান আৰু গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ সভাপতি বিনোদ কেডিয়াৰ নেতৃত্বত এটা দলে অঞ্চলটোৰ গৰাখহনীয়া প্ৰৱন এলেকাসমূহ পৰিভ্ৰমণ কৰি জলসম্পদ বিভাগৰ তত্ত্বাৱধানত চলি থকা কামকাজত অসন্তুষ্টি প্ৰকাশ কৰিছে। বিভাগটোৱে ব্ৰহ্মপুত্ৰৰ সোঁতৰ গতি সম্পৰ্কে অভিজ্ঞ ব্যক্তিয়ে বিচৰা ধৰণে কামত আগ নবঢ়াত অসন্তুষ্টি প্ৰকাশ কৰিছে। সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ সৰ্বনিম্ন হৈ থকাৰ সময়ত বিভাগটোৱে কামৰ গতি লেহেমীয়া কৰি তোলাৰ কথাই সঁজাতি দলটোক অসন্তুষ্ট কৰি তুলিছে। অভিজ্ঞ মহলে ব্ৰহ্মপুত্ৰৰ সোঁতৰ দিশ সলনি কৰাৰ বাবে জিঅ'টিউবৰ স্পাৰ বন্ধাৰ বাবে বাৰম্বাৰ দাবী জনাই আহিছে যদিও সোণৰ কণী পৰা হাঁহজনী হেৰুৱাৰ ভয়ত নে আন কিবা কাৰণত চৰকাৰ তথা জলসম্পদ বিভাগে স্পাৰৰ কাম হাতত লোৱা দেখা নগ'ল। অঞ্চলটোৰ কেনপাচৰ সমীপত গৰাখহনীয়াই ভয়ংকৰ ৰূপ লৈ এটা ডাঙৰ ঘুলিৰ সৃষ্টি কৰা স্থানত বিভাগটোৱে কোনো কাম হাতত নোলোৱাত স্থানীয় লোকৰ লগতে সঁজাতি দলটোৱে উদ্বেগ প্ৰকাশ কৰিছে। ইফালে নাওকটা অঞ্চলত বিভাগটোৱে দিয়া পাৰ্কিউপাইন স্ক্ৰীণৰ স্থান সম্পৰ্কে দলটোৱে বিৰূপ মন্তব্য কৰা দেখা গ'ল। উক্ত স্ক্ৰীণৰ কাষৰ গৰাত শতাধিক পাৰ্কিউপাইনৰ পকী খুটা পেলাই ৰখা দেখিবলৈ পাই আশ্চৰ্য প্ৰকাশ কৰিছে। ঠিকাদাৰে পাৰ্কিউপাইনত ব্যৱহাৰ নকৰাকৈয়ে কৰা বুলি দেখুৱাই চৰকাৰী ধন লুট কৰিবলৈকে এই পকীখুটাবোৰ লুকুৱাবলৈ চেষ্টা কৰা বুলি দলটোৱে সন্দেহ প্ৰকাশ কৰিছে। জলসম্পদ বিভাগে এইপকীখুটাবোৰ সম্পৰ্কে এক তদন্ত চলোৱাৰ লগতে জিঅ'বেগৰ পাৰ বন্ধাৰ সমান্তৰালকৈ জিঅ'টিউবৰ স্পাৰ দিয়া আৰু অতি শীঘ্ৰেই কেনপাচৰ সমীপত গৰাখহনীয়া ৰোধৰ কাম আৰম্ভ কৰাৰ দাবী তুলিছে।

## আগন্তুক বিধানসভাৰ নিৰ্বাচনত ওদালগুৰিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ম ঃ ৰিহন দৈমাৰ

# বিটিচিৰ মুদৈবাৰী পৰিষদীয় সমষ্টিৰ টংলা ৩ নং খণ্ডত পকীপথৰ আধাৰশিলা স্থাপন বিটিচিৰ উপ মুখ্য পাৰিষদ ৰিহন দৈমাৰীৰ

## সুচল বাট-পথে আমাৰ যোগাযোগ ব্যবস্থা সূচল কৰে

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৩১ জানুৱাৰী ঃ** মুখ্য মন্ত্ৰীৰ গুড উইল মিছনৰ অধীনত আৰ আই ডি এফ ৩১ ওদালগুৰি জিলা ২০২৫-২৬ বৰ্ষৰ আই চি বি পি পথৰ টংলা ৩নং খণ্ডত ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হব লগীয়া সত্যজিৎ দেৱ নাথৰ ঘৰৰ পৰা সুভাষপল্লী সংযোগী ১.৫০ কিলো মিটাৰ দৈঘ্যৰ পকী পথৰ আজি আধাৰ শিলা স্থাপন কৰি বিটিচিৰ উপ মুখ্য পাৰিষদ ৰিহন দৈমাৰীয়ে কয়, সূচল বাট পথে আমাৰ যোগাযোগ ব্যবস্থা সূচল কৰে। বাট পথ সমূহ সূচল কৰিবলৈ বিটিচি চৰকাৰে প্ৰতিটো সমষ্টিত বৰ্তমান ৪ (চাৰি)কোটিকৈ আবন্তন দিয়া হৈছে। বৰ্তমান বিটিচি চৰকাৰৰ হাতত ধন নাই যদিও বিটিআৰ চুক্তিৰ দ্বাৰা আবন্তিত আচঁনিৰ ধন বিগত প্ৰমোদ বড়ো ডাঙৰীয়াৰ কাৰ্যকালত খৰচ নকৰাকৈ থাকি যোৱা ধনেৰে এই সমূহ পথৰ লগতে অন্যান্য উন্নয়নমূলক কাম কৰিবলৈ ব্যৱস্থা কৰা হৈছে বুলি ৰাইজক উদ্দেশ্যে দিয়া ভাষণত উল্লেখ কৰে। তেওঁ আৰু কয় যে, বিগত বিটিচি নিৰ্বাচনৰ সময়ত বিপিএফ দলে ৰাইজক দিয়া ৫টা গ্যৰন্তিৰ এতিয়া সফল হোৱাৰ দিশে। তেওঁ কয় সমাগত বিটিচি চুক্তি দিৱসত ৰাইজক দিয়া গ্যৰন্তিৰ শুভাৰম্ভণি হব। সাংবাদিকেৰে হোৱা বাৰ্তালাপত ৰিহন দৈমাৰীয়ে আগন্তুক বিধান সভাৰ নিৰ্বাচনত ওদালগুৰিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি একপ্ৰকাৰে ঘোষনা কৰে। বিপিএফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ সৰকাৰ, মনোনীত পাৰিষদ ৰতন ৰাভা, বিশিষ্ট সমাজ সেৱক ৰঞ্জিত বড়ো, চিৰণ দৈমাৰী, ননী চক্ৰৱৰ্তী, বি পি এফৰ যুৱ নেতা হৰিশ বৰ্মণ, পাপু সেন, দেৱৰাজ ঘোষ, টংলা পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ সকল উপস্থিত থাকে। উল্লেখযোগ্য যে, আজি বিটিচিৰ উপ মুখ্য পাৰিষদ ৰিহন দৈমাৰীয়ে সমষ্টিটোত একে আঁচনিৰ অধীনত এক কোটি টকাকৈ মুঠ ৪(চাৰি)টা পকী পথৰ আধাৰ শিলা স্থাপন কৰে।

## উদুলি-মুদুলি নামনি মাজুলী

# নামনি মাজুলীত বৃহৎ হিন্দু সন্মিলিন সম্পন্ন; তত্ত্বগধুৰ বক্তৃতা আৰু বৰ্ণাঢ্য জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৩১ জানুৱাৰী ঃ** মাজুলী জিলাৰ নামনি মাজুলীত আজি এক বৃহৎ হিন্দু সন্মিলিন অনুষ্ঠিত হয়। নামনি মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হোৱা উক্ত হিন্দু সন্মিলনত কৰতিপাৰ, শ্ৰীলোহিত আৰু চিলাকলা মণ্ডল হিন্দু সন্মিলিনৰ শ শ লোকে অংশগ্ৰহণ কৰে। আজি পুৱাৰ পৰাই উক্ত হিন্দু সন্মিলিনখনত অংশগ্ৰহণ কৰিবলৈ অহা ৰাইজে অঞ্চলটোত এক উদুলি মুদুলি পৰিৱেশৰ সৃষ্টি কৰে। আজি দুপৰীয়া এঘাৰ বজাৰ পৰা আৰম্ভ হোৱা উক্ত হিন্দু সন্মিলিনত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ এশ বছৰ পূৰ্ণ হোৱা উপলক্ষে এশ গছ বন্তি প্ৰজ্বলন কৰা হয়। নামনি মাজুলীৰ এশজন জ্যেষ্ঠ ব্যক্তিৰ দ্বাৰা উক্ত বন্তি প্ৰজ্বলন কৰা হয়। মূল বন্তি প্ৰজ্বলন কৰে মাজুলীৰ বালিচাপৰিৰ বৰ এলেঙী সত্ৰৰ ডেকা সত্ৰীয়া ইন্দ্ৰকান্ত মহন্তই। সাংবাদিক যদু কলিতাই আঁত ধৰা উক্ত বৃহৎ হিন্দু সন্মিলিনখনত সভাপতিত্ব কৰে আয়োজক সমিতিৰ সভাপতি গোপাল বৰাই। বিশিষ্ট শিল্পী শেৱালি ভূঞাই পৰিৱেশন কৰা বৰগীতেৰে শুভাৰম্ভ কৰা উক্ত হিন্দু সন্মিলিনত "হিন্দুত্বৰ ইতিহাস" ব্যাখ্যা কৰি মৰ্মস্পৰ্শী ভাষণ প্ৰদান মেৰাগড় নাৰায়ন দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তিলক শৰ্মাই। সভাত "হিন্দু সমাজ আৰু পঞ্চ পৰিৱৰ্তনৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ" সন্দৰ্ভত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে মাজুলীৰ মীন বিভাগৰ কৰ্মচাৰী পিংকি শইকীয়াই। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ইতিহাস ব্যাখ্যা কৰে মাজুলী জিলাৰ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জিলা প্ৰচাৰক মনদীপ বৰুৱাই। অনুষ্ঠানত চিত্ৰ শিল্পী দেৱজিৎ বৰাক হিন্দু সন্মিলিনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাত বালিচাপৰি মণিকাঞ্চন দিহানামৰ দলে দিহানাম, নামনি মাজুলী আৰোগ্য সেৱিকা সমিতিৰ দেশপ্ৰেমমূলক গীত, বিশিষ্ট শিল্পী অমিয় কুমাৰ চিৰাঙৰ কণ্ঠৰ ভূপেন্দ্ৰ সংগীত, চেলেক বিবেকানন্দ বিদ্যালয়ৰ ছাত্ৰীসকলে সাতভনী নৃত্য আৰু দেশপ্ৰেম মূলক গীত দেশপ্ৰেমমূলক গীতৰ নৃত্য, হেমচন্দ্ৰ দাসৰ লোকগীতে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সন্মিলনত শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে মাজুলী বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ চন্দন গোস্বামীয়ে। কেইবাশতাধিক লোকে অংশগ্ৰহণ কৰা সভাখনত শলাগ জ্ঞাপন কৰে আয়োজক সমিতিৰ হৈ মুকুল মুদৈ আৰু নীলকান্ত পেগুৱে। শেষত কল্যাণ মন্ত্ৰৰে উক্ত হিন্দু সন্মিলিনৰ সামৰণী পৰে।

**AFFIDAVIT**

Swarn before the Notary Public at Nazira, Assam on 2nd February 2026 that my actual and correct name is Arun Chandra Kalita. But in my Land Documents, Vide P.P. No.- 113, 38, 37, 252, 173, 95, 39, 196, 31 of Dag No.- 313, 504, 503, 53, 1739, 346, 347 my name has been wrongly recorded as Akon Borah, Akon Kalita, Arun Kalita instead of Arun Chandra Kalita. I do hereby declare that Arun Chandra Kalita, Akon Borah, Akon Kalita, Arun Kalita is the same and one person i.e. myself.

Arun Chandra Kalita
S/O.- Late Deobar Kalita
R/O.- Kumar Gaon,
P.O.- Michajan,
P.S.-Namti,
Dist: Sivasagar, Assam

AB-09/2026

# মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগ; এন পি এছ, ইউ পি এছ প্ৰত্যাহাৰৰ দাবীত বাইক ৰেলী

**অসম বাৰ্তা, মাজুলী, ১ ফেব্ৰুৱাৰী ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত আজি এন পি এছ আৰু ইউ পি এছ প্ৰত্যাহাৰৰ দাবীত বাইক ৰেলী ওলিউৱা হয়। বাইক ৰেলী আৰম্ভ হোৱাৰ পূৰ্বে এগছি বন্তি প্ৰজ্বলন কৰে মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ উপদেষ্টা সঞ্জীৱ কুমাৰ দত্তই। উক্ত কাৰ্যসূচী শুভ উদ্বোধন কৰে মাজুলী জিলা কোষাগাৰৰ জ্যেষ্ঠ গাণনিক পবিত্ৰ মেধিয়ে। মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক সত্যেন্দ্ৰনাথ পামেগামে আঁত ধৰা অনুষ্ঠানত দিনটোৰ তাৎপৰ্য ব্যাখ্যা কৰে সভাপতি ত্ৰিদিপ হাজৰিকাই। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে ২০০৪ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখৰ পৰা নতুন ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি বলবৎ কৰে। সদৌ অসম কৰ্মচাৰী পৰিষদে পূৰ্বৰে পৰাই নতুন ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ বিৰোধিতা কৰি অহাৰ লগতে ১ ফেব্ৰুৱাৰী দিনটো ক'লা দিৱস হিচাপে পালন কৰি আহিছে। উক্ত কাৰ্যসূচীৰ অংশ হিচাপে এই বছৰো ১ ফেব্ৰুৱাৰীত সকলো কৰ্মচাৰীয়ে ক'লা বেজ পৰিধান কৰি ক'লা দিৱস পালন কৰে। লগতে এন পি এছ আৰু ইউ পি এছ বাতিল কৰি পুৰণি পেঞ্চন আঁচনি পুনৰ প্ৰৱৰ্তন কৰাৰ দাবীত মাজুলী জিলা কৰ্মচাৰী পৰিষদে কমলাবাৰীৰ দৰীয়া ডুবিৰ সমীপৰ খেল পথাৰৰ পৰা আৰম্ভ হোৱা বাইক ৰেলী জেংৰাইমুখ হৈ মায়া বজাৰ, মুদৈবিলৰেগৈ ফুলনি উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত সামৰণি মাৰে। বাইক ৰেলীত ভালে সংখ্যক শিক্ষক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# ৰূপহীহাটৰ তেৰমাইলত নৈশ ভলীবল খেল; বহিঃৰাষ্ট্ৰৰ খেলুৱৈৰ হ'ব পদাৰ্পণ

**অসম বাৰ্তা, ৰূপহীহাট, ১ ফেব্ৰুৱাৰী ঃ** ৰূপহীহাটৰ তেৰমাইল যুৱ সংঘৰ সৌজন্যত প্ৰাইজমানী নৈশ ভলীবল খেল অনুষ্ঠিত কৰা হ'ব। পোনপ্ৰথম বাৰৰ বাবে সংখ্যালঘু অধ্যুষিত অঞ্চলত বহিঃৰাষ্ট্ৰৰ খেলুৱৈ পদাৰ্পনৰ খবৰে ভলীবল খেল প্ৰেমিক ৰাইজৰ বাবে সু-খবৰ। অহা কালি সন্ধিয়া ৬বজাৰ লগে লগে নৈশ ভলীবল খেল অনুষ্ঠিত কৰা হ'ব। উক্ত প্ৰাইজমানী ভলীবল খেলত অংশ গ্ৰহণ কৰিব অসমৰ বিভিন্ন প্ৰান্তৰ লগতে ভুটান, হাৰিয়ানাৰ খেলুৱৈ ভাগ ল'ব। উক্ত খেলত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা চামগুৰি সমষ্টিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী যুব নেতা নাজিৰ হুছেইন, অসম সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন ওৰফে ডনৰ লগতে চামগুৰিৰ জ্যেষ্ঠ নেতা মুজিবুৰ ৰহমান। সকলো ৰাইজক অহা কালিৰ প্ৰাইজমানী নৈশ ভলীবল খেলখন চাবলৈ আহ্বান জনায় খেল পৰিচালনা কমিটীয়ে।

## বুৰঞ্জীবিদ তুলসী নেওগক মতৰাম হাতীমূৰীয়া সোঁৱৰণী বঁটা প্ৰদান

# চৰাইদেউ জিলাৰ ২নং লুখুৰাখন মূলাগাভৰু সমন্বয় ক্ষেত্ৰত ষষ্ঠ বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম-মে-ফি উদ্‌যাপন



**অসম বাৰ্তা বিশেষ, সোণাৰি, ১ ফেব্ৰুৱাৰী ঃ** চৰাইদেউ জিলাৰ সোণাৰি ২নং লুখুৰাখন মূলাগাভৰু সমন্বয় ক্ষেত্ৰত টাই আহোম যুৱ পৰিষদ, অসম (টাইপা) চৰাইদেউ জিলা সমিতিৰ উদ্যোগত, পূৱ অভয়পুৰ, লংপতীয়া আৰু বেঙেনাবাৰী আঞ্চলিক সমিতিৰ লগতে ৰাইজৰ সহযোগিতাত আয়োজিত হোৱা ষষ্ঠ বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম-মে-ফি উদ্‌যাপন সমাপ্তি হয়। মূলতঃ পূৰ্বপুৰুষসকলৰ স্মৃতি সোঁৱৰণ কৰি পৰম্পৰাগত নিয়ম-নীতি অনুসৰি জনগোষ্ঠীটোৰ উপৰি পুৰুষ সকলক সেৱা আৰু শ্ৰদ্ধা জনাই জনমিঙ বিচাৰি আহোম জনগোষ্ঠীৰ প্ৰধান মাংগলিক অনুষ্ঠান "মে-ডাম -মে-ফি" আয়োজন কৰি আহিছে। উক্ত পবিত্ৰ অনুষ্ঠানত প্ৰথমবাৰ বিশিষ্ট মুক্তিযোদ্ধা মতৰাম হাটীমূৰীয়া সোঁৱৰণী বঁটা বিশিষ্ট বুৰঞ্জীবিদ, প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ সভাপতি তুলসী নেওগক প্ৰদান কৰে। বঁটাত আছিল পাঁচ হাজাৰ টকা, এটি স্মাৰক, এযোৰ টাই আহোমৰ সাজপাৰ লগতে মানপত্ৰ। উক্ত অনুষ্ঠানত তপন কুমাৰ গগৈ অধ্যক্ষ, অসম উদ্যোগিক নিগম, ধৰ্মেশ্বৰ কোঁৱৰ স্থানীয় বিধায়ক, ভৃগু হাটীমূৰীয়া-কাৰ্যকৰী সভাপতি টাই পা-কেন্দ্ৰীয় সমিতি, সমাজকৰ্মী মনি গগৈ লগতে বিভিন্ন দল সংগঠন, জ্যেষ্ঠ ব্যক্তি, অঞ্চলৰ জনগণ উপস্থিত থাকে।

# সৰুপথাৰৰ ১ নং ৰজাপুখুৰী শ্যাম গাঁৱত বৌদ্ধ ধৰ্মীয় মাইক'চুমফাই উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, সৰুপথাৰ, ১ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ ৰজাপুখুৰী শ্যাম গাঁও। অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গাঁও চলো অভিযানৰ অংশ হিচাপে নিশা কটাইছিল শ্যাম গাঁৱত। তেতিয়াৰে পৰাই গাঁৱখন অতিকৈ চিনাকি। মাঘী পূৰ্ণিমা সকলো বৌদ্ধ ধৰ্মীয় টাই আৰু শ্যাম গাৱঁৰ বৌদ্ধ বিহাৰৰ কাষত মাইক'চুমফাই সাজি, পৰম্পৰাগতভাৱে পালন কৰিছে উৎসৱটি। মাইক'চুমফাই মেজিৰ চাক্ষুষ সৌন্দৰ্য, গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ দৰ্শন কৰিবলৈ শনিবাৰৰ সন্ধ্যা গাওঁখনলৈ সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত হয়। এই উৎসৱত ফুমফাই নামৰ আকাশবন্তি (hot air ballon) উৎক্ষেপ কৰা হয়। ৰাতিপুৱা দোকমোকালিতে ওপৰৰ পৰা এই মেজি জ্বলোৱা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। গাঁওখনৰেই স্থানীয় ব্যক্তি প্ৰবীৰ তুৰুঙৰ দ্বাৰা লাভ কৰা তথ্য অনুসৰি ইতিহাসে কয়, "লোকসংস্কৃতি, পৰম্পৰা আৰু নিজস্বতাই এটা জাতিৰ পৰিচয়। নিজৰ সংস্কৃতি, লোকাচাৰৰ লগতে ধৰ্মীয় পৰম্পৰা সজীৱ কৰি ৰাখি এক সংস্কৃতিৱান জাতি হিচাপে নিজকে পৰিচয় দিবলৈ সক্ষম হোৱা অসম আৰু অৰুণাচলৰ থেৰবাদী বৌদ্ধ ধৰ্মীয় টাই আৰু চিংফৌ লোক সকলৰ অন্যতম প্ৰধান উৎসৱ মাইক'চুমফাই। মাঘী পূৰ্ণিমাৰ দিনা পালন কৰা এই উৎসৱক থাইলেণ্ড, ম্যানমাৰ, শ্ৰীলংকা আদি দেশত মঘা পূজা নামেৰে জনা যায়। মাঘী পূৰ্ণিমাৰ দিনটোত বৌদ্ধ সকলৰ বাবে কেইবাটাও কাৰণত মহত্ত্বপূৰ্ণ। এই পূৰ্ণিমাতেই গৌতম বুদ্ধই বুদ্ধত্ব লাভৰ পাছত একেলগে ১২৫০জন শিষ্যক ধৰ্ম শিক্ষা দিয়ে আৰু এই আটাই কেইজনেই পাছত অৰহত ভিক্ষু হ'বলৈ সক্ষম হয় বুলি বৌদ্ধ গ্ৰন্থসমূহত পোৱা যায়। এই পূৰ্ণিমাতেই ভগৱান বুদ্ধই তিনিমাহৰ অন্তত বহাগী পূৰ্ণিমাত তেওঁৰ পৰিনিৰ্বাণ হ'ব বুলি শিষ্য সকলৰ আগত ব্যক্ত কৰিছিল। এই দিনটোতে তেওঁ ভিক্ষু সকলক উপদেশ দি কৈছিল "চৰথ ভিকখুৱে চৰিকং বহুজন হিতায় বহুজন সুখায় লোকানুম্পায় ধম্মং দেসেথ।" ইয়াৰ ভাবাৰ্থ - ভিক্ষুসকল, বহুজনৰ হিতৰ বাবে, বহুজনৰ সুখৰ বাবে, জীৱজগতৰ প্ৰতি অনুকম্পা প্ৰকাশৰ কাৰণে দিশে দিশে ধৰ্ম প্ৰচাৰ কৰা। ইয়াৰ উপৰিও এই পূৰ্ণিমাৰ দিনটোতেই টাই সকলে এজন অতি অত্যাচাৰী অসুৰক পৰাজয় কৰিছিল বুলি জনা যায়। সেই অসুৰ ইমানেই অত্যাচাৰী আছিল যে তাৰ মৃত্যুত আনকি তাৰ ঘৈণীয়েকেও আনন্দিত হৈছিল আৰু আনন্দত ভোজভাতৰ আয়োজন কৰি সকলোকে আমন্ত্ৰণ কৰিছিল।" তথ্য অনুসৰি, মাইক'চুমফাইৰ অৰ্থ "মাইক'চুমফাই টাই শব্দ, ইয়াৰ অৰ্থ কাঠ জাপি মেজি সাজি জ্বলোৱা। এই মেজি চাৰি কোণিয়া বা অষ্ট কোণিয়াকৈ গুৰিৰ পৰা আগলৈ সম্পুৰ্ণ বাঁহৰ সমান ওখকৈ বনোৱা হ'য়। চাৰি কোণিয়া মেজিৰ বাবে আঠদাল দীঘল বাঁহৰ প্ৰয়োজন হয়। প্ৰতিটো কোণত গাঁত খান্দি এটা গাঁতত দুদালকৈ বাঁহ পোতা হয়। চাৰিও কোণৰ গাঁত চাৰিটা মাটিৰ চাৰিফুট মানৰ তলত সোমাজত লগ লগোৱা হয়, যাৰ বাবে মেজিৰ মাজ ভাগ দুই মূৰৰ তুলনাত ডাঙৰ হয়। মেজিত বহুদিনৰ পৰা কাটি বাকলি গুচোৱা গছৰ দাল নাইবা গোলকৈ চাঁছি ৰখা কাঠখৰি জাপি জাপি বনোৱা হয়। মাজৰ অংশত কেঁচা আৰু শুকান বাঁহ ভাৰাই দিয়া হয়। যিহেতু মেজি বহুত ওখ হয় ইয়াক পোনাই ৰাখিবলৈ চাৰিও কোনত চাৰিদাল ৰচীৰে ওপৰৰ পৰা চাৰিও কোণত বন্ধা হয়। মেজি সম্পূৰ্ণ হোৱাৰ পাছত কলপতুৱা, ৰঙীন কাগজ, ফুল আদিৰে সুন্দৰকৈ সজোৱা হয়। উল্লেখ্য যে, পূৰ্ণিমাৰ আগদিনা সন্ধ্যা গাৱঁৰ সকলোৱে ভিক্ষুৰ উপস্থিতিত মেজিৰ চাৰিওকাষে চাকি-বন্তি জলাই পঞ্চশীল, অষ্টশীল গ্ৰহণ আদি ধৰ্মীয় কাৰ্য সম্পন্ন কৰাৰ লগতে সকলো প্ৰাণীসত্ত্বাৰে কুশলৰ বাবে মৈত্ৰী ভাবনা কৰা হয়। সম্পূৰ্ণ বৌদ্ধ ধৰ্মীয় ৰীতিৰে এই কাৰ্য সম্পন্ন কৰা হয়। ধৰ্মীয় কাৰ্যৰ অন্তত নাচ গান কৰি আনন্দ উল্লাস কৰে। এই উৎসৱত ফুমফাই নামৰ আকাশবন্তি (hot air ballon) উৎক্ষেপ কৰে। ৰাতিপুৱা দোকমোকালিতে ওপৰৰ পৰা এই মেজি জ্বলোৱা হয়। ৰাতিপুৱা পিঠা, সান্দহ, মিঠাই আৰু "খাও য়াকু" বা "খয়াকু" নামৰ এক ব্যঞ্জন সকলোৱে খাই আৰু ইঘৰে সিঘৰক বিলায়। এই "খয়াকু" শুকান মাংস, মাছ, তিল, মাটিমাহ, চাউল, শাক পাচলি, আলু কচু আদি সংমিশ্ৰণ কৰি বনোৱা একপ্ৰকাৰৰ সুস্বাদু ব্যঞ্জন। গাঁৱখনৰ স্থানীয় শিক্ষক এজনে কয়, "আজি ৰজাপুখুৰী শ্যাম গাঁৱত মাইক'চুমফাই উৎসৱ উদযাপন কৰা হৈছে। ভগৱান গৌতম বুদ্ধই যেতিয়া দিব্যজ্ঞান লাভ কৰিছিল, তেতিয়া ১২৫০জন ভিক্ষু লগত লৈ ধৰ্ম প্ৰচাৰ কৰিছিল। তেতিয়া ১২৫০জন ভিক্ষুৰ সৈতে এখন গাঁৱত নিশা যাপন কৰিবলগীয়া হোৱাত ঠাণ্ডাৰ কাপোৰ দিবলৈ অপাৰগ হোৱাৰ ফলত খৰিৰ দম কৰি ভিক্ষুসকলক ঠাণ্ডাৰ পৰা ৰেহাই দিছিল, সেই তেতিয়াৰ পৰাই এই উৎসৱটি পালন কৰা হয়। এই দিনটোতেই গৌতম বুদ্ধই তিনিমাহৰ পিছত বহাগী পূৰ্ণিমাত তেওঁৰ পৰিনিৰ্বাণ হ'ব অৰ্থাৎ মৃত্যু হ'ব বুলি শিষ্য সকলৰ আগত ব্যক্ত কৰিছিল। তেতিয়াৰে পৰাই এই দিনটোতেই মাইক'চুমফাই উৎসৱ পালন কৰি অহা হৈছে।"

# সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সন্থাৰ অধিৱেশন সম্পন্ন

## নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন



**অসম বাৰ্তা, নগাঁও, ১ ফেব্ৰুৱাৰী ঃ** নগাঁৱত অনুষ্ঠিত হোৱা সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সন্থাৰ ৪৮ সংখ্যক তিনিদিনীয়া অধিবেশনৰ আজি সামৰণি পৰে। নগাঁও চহৰৰ সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত অধিবেশনৰ আজি অন্তিম দিনা মুকলি সভা অনুষ্ঠিত হয়। সন্থাৰ সভাপতি দিব্যজ্যোতি হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গোপাল হাজৰিকাই। আদৰণি ভাষণ প্ৰদান কৰে অধিবেশনৰ আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি বুদ্ধ কুমাৰ নাথে। অনুষ্ঠান সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সন্থা নগাঁও, কলিয়াবৰ, ৰহা, হোজাই জিলাৰ আতিথ্যত আজি তিনিদিনীয়াকৈ আয়োজিত ৪৮তম দ্বি-বাৰ্ষিক অধিবেশনৰ আজি মুকলি সভাত উপস্থিত থাকি নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই সন্থাৰ স্মৃতিগ্ৰন্থ "সেউজ" উন্মোচন কৰে। স্মৃতিগ্ৰন্থ উন্মোচন কৰি বিধায়ক শৰ্মাই কয়- কৃষি বিভাগৰ কনিষ্ঠ কৃষি বিষয়া সকলৰ দায়িত্ব অত্যন্ত বেছি। আমাৰ ৮০ শতাংশ গ্ৰাম্য অঞ্চল কৃষি প্ৰধান অঞ্চল। সকলো ফালৰে পৰা অসম এখন কৃষি প্ৰধান অঞ্চল। চৰকাৰৰ ফালৰ পৰা আজি কৃষি বিভাগৰ প্ৰজ্যাপ্ত পৰিমাণে উপকৃত হৈছে কৃষক সকল। কৃষক সকলে সময়ে সময়ে উপযুক্ত মূল্য নোপোৱাটো এটা ডাঙৰ সমস্যা হৈ দেখা দিছে। আমি এই সমস্যা সমাধানৰ বাবে আমাৰ নগাঁও সমষ্টিত পৌৰসভাৰ পৰা এখন দোকান দিয়াৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, পাখিমৰীয়া অঞ্চলতো এখন দোকান দিয়াৰ ব্যৱস্থা হৈছে। এই দোকানৰ জৰিয়তে কৃষক সকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী সমূহ বিক্ৰী কৰি প্ৰকৃত মূল্য লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ নৱপ্ৰজন্ম হৈছে চাকৰি মুখি। চৰকাৰে খনে সকলোকে চৰকাৰী চাকৰি দিব নোৱাৰে। সেই ক্ষেত্ৰত আমাৰ নৱপ্ৰজন্ম সকল কৃষি ক্ষেত্ৰত নিয়োজিত হব লাগিব। লগতে আয় বৃদ্ধি কৰিবলৈ কৃষি বিভাগৰ কনিষ্ঠ কৃষি বিষয়া সকলে সহায় কৰিব লাগিব। তাৰ ক্ষেত্ৰত বেলেগ ৰাজ্য যেনে পাঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশ, বিহাৰৰ দৰে লগতে অসমো সমানে সমানে আগবাঢ়ি যাব পাৰিব। আজিৰ এই অনুষ্ঠানতে ১২গৰাকী প্ৰগতিশীল কৃষকক বিধায়ক ৰূপক শৰ্মাই ফোলাম গামোচা, স্মাৰক, মানপত্ৰৰে সম্বৰ্ধনা জনোবা হয়। ভাষণ প্ৰসঙ্গত বিধায়ক গৰাকীয়ে অসমৰ কৃষিখণ্ডৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অসম চৰকাৰৰ মধ্য মণ্ডলৰ যুটীয়া কৃষি সঞ্চালক ভবাণী কুমাৰ নাথে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে বৰ্তমান সময়ত অসম চৰকাৰ তথা কৃষি বিভাগে অধিক গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ বাবে গ্ৰহণ কৰা হৈছে বিভিন্ন আচনি। এই আচনিৰ জৰিয়তে কৃষকক উৎসাহিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয় যে নদী উপত্যকাৰ এলেকাত খাদ্য শস্যৰ উৎপাদন বৃদ্ধি হয়। কাৰণ ইয়াৰ মাটি সাৰুৱা। যিখন দেশৰ খাদ্য শস্য থাকিব, সেইদেশ ধনী হয়। আন এজন বিশিষ্ট অতিথি নগাঁও প্ৰিণ্ট মিডিয়া এচ'ছিয়েশ্বনৰ সভাপতি, জেষ্ঠ সাংবাদিক কনক হাজৰিকাই ভাষণ প্ৰদান কৰি কয় বিভিন্ন কাৰণত আমাৰ অসমত কৃষি কৰা লোকৰ কথা বিভিন্ন কাৰণত কমি আহিছে। বহু কৃষি পথাৰ উদং হৈ থাকে। এইটো চিন্তনীয় বিষয়। কৃষি অৰ্থনীতি শক্তিশালী হলেহে অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ় লৈ উঠে। কৃষিভূমি সংকুচিত হোৱাৰ কথাও তেওঁ উল্লেখ কৰে। কৃষি বিভাগৰ বিষয়া- কৰ্মচাৰী সকলক কৃষকক কৃষি কাৰ্যৰ বাবে উৎসাহিত কৰাৰ কামত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। সভাতেই কনিষ্ঠ কৃষি বিষয়া গোপাল হাজৰিকা, বুদ্ধ কুমাৰ নাথ, চাহানুৰ আলম লস্কৰ, ৰমেন নাথক সম্বৰ্ধনা জনোৱা হয়। আনহাতে, যোবা কালি নিশা অনুষ্ঠিত বিষয় বাছনি সভাত দিব্যজ্যোতি হাজৰিকাক পুনৰ সন্থাৰ সভাপতি নিৰ্বাচিত হয়। সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয় নাগৰ দলে। ইয়াৰ আগতে কালি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পিছত কৃষক প্ৰশিক্ষণৰ প্ৰথম পৰ্ব অনুষ্ঠিত হয়। এই অনুষ্ঠানত নগাঁও মাণ্ডলিক কৃষি গবেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° নিৰঞ্জন ডেকা, কৃষি বিভাগৰ ৰাষ্ট্ৰীয় খাদ্য আৰু পুষ্টি অভিযানৰ ৰাজ্যিক পৰামৰ্শদাতা ড°অৰুণিমা দেৱ চৌধুৰী অংশগ্ৰহণ গ্ৰহণ কৰে। ইয়াৰ পিছতে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। বিয়লি অনুষ্ঠিত কৃষক প্ৰশিক্ষণৰ দ্বিতীয় বৈঠকত প্ৰশিক্ষক হিচাপে নগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ অনুষ্ঠান সহায়ক ড°ৰূপক কুমাৰ টায়ে। বিয়লি প্ৰতিনিধি সভা অনুষ্ঠিত হয়। নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই।

## জাগুন লাকলাস্থিত মাউণ্ট কাৰ্মেল স্কুল খেলপথাৰত তিনিদিনীয়াকৈ এই অধিৱেশন; গ্ৰন্থ আৰু বাতৰি কাকত উন্মোচন

# সদৌ অসম নগা কল্যাণ সমাজৰ প্ৰথম ত্ৰি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত




**অসম বাৰ্তা বিশেষ, জাগুন, ১ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ টিৰাপ ট্ৰাইবেল বেল্টৰ অধীনস্থ জাগুন লাকলাস্থিত মাউণ্ট কাৰ্মেল স্কুল খেলপথাৰত অনুষ্ঠিত হয় সদৌ অসম নগা কল্যাণ সমাজৰ প্ৰথম ত্ৰি বাৰ্ষিক অধিৱেশন। ৩০, ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰী তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় এই অধিৱেশনৰ। অসমত বসবাস কৰি অহা ভূমিপুত্ৰ নগা সমাজৰ সৰু-বৰ সকলো জনগোষ্ঠীৰ মাজত সম্ভাৱ-সম্প্ৰীতি আৰু ভাতৃত্ব বোধৰ এনাজৰী অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ উদ্দেশ্যে এই বৰ্ষত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত কৰা হয় এই অধিৱেশন। অসমৰ প্ৰায় ১২খন জিলাৰ নগা সমাজৰ সকলো জনগোষ্ঠীয়ে নিজা নিজা সম্প্ৰদায়ৰ পৰম্পৰাগত ভাষা-কৃষ্টি-সংস্কৃতি, সাঁজ-পাৰ, খাদ্য-সম্ভাৰ, খেল-ধেমালি ইত্যাদি প্ৰদৰ্শন কৰে। অধিৱেশন থলীৰ চৌপাশে গঢ়ি তোলা নগা জনগোষ্ঠীৰ ভিন ভিন সম্প্ৰদায়ৰ বিপনীয়ে অধিক আকৰ্ষণীয় কৰি তুলিছে সমগ্ৰ পৰিৱেশ। নগা কল্যাণ সমাজৰ এই ত্ৰি বাৰ্ষিক অধিবেশনৰ তিনিওটা দিনৰ কাৰ্যসূচীত পতাকা উত্তোলনকে আদি কৰি সাংস্কৃতিক শোভাযাত্ৰা, প্ৰতিনিধি সভা, মুকলি আলোচনা চক্ৰ, জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান, নগা পৰম্পৰাগত খেল ধেমালি প্ৰদৰ্শনৰ উপৰিও নগা সমাজৰ সকলো দিশ প্ৰতিফলিত কৰিব পৰাকৈ "Unveiling of Souvenir & Newsletter" নামৰ বাতৰি কাকত আৰু "The Naga Tribes of Assam" নামৰ গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত অধিৱেশনত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নগা সমাজৰ বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত নগা সকলৰ পৰিচয়, ইতিহাস আৰু অধিকাৰ শীৰ্ষক এক গুৰুত্বপূৰ্ণ আলোচনা চক্ৰই বিশেষ ভাৱে স্থান লাভ কৰা দেখা যায়।

# লখিমপুৰ-ধেমাজিৰ তিনিশ কৃষকক শস্যৰ বীজ বিতৰণ




**অসম বাৰ্তা, লীলাবাৰী, ১ ফেব্ৰুৱাৰী ঃ** বিগত দুটা মাহত 'কাৰিটাছ ইণ্ডিয়া' শীৰ্ষক বেচৰকাৰী সংস্থাৰ উদ্যোগত লখিমপুৰ জিলাৰ নৱগঠিত ৰঙানদী বিধানসভা সমষ্টি আৰু ধেমাজি জিলাৰ কৃষকসকলক লৈ জলবায়ু পৰিৱৰ্তনৰ সৈতে সাদৃশ্যপূৰ্ণ অৰ্থাৎ আনুষঙ্গিক কৃষি কাৰ্য কৰাৰ প্ৰণালী সন্দৰ্ভত প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। বেচৰকাৰী সংস্থাটিৰ 'সৰল' আঁচনিৰ অধীনত লখিমপুৰ জিলাৰ ডিজু গাঁও পঞ্চায়তৰ ৫খন গাঁও আৰু ধেমাজি জিলাৰ পাঁচখন গাঁৱৰ মহিলা কৃষকসকলক সামৰি কৃষি কাৰ্য কৰাৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা, জলবায়ু পৰিৱৰ্তন অনুসৰি বানপীড়িত আৰু খৰাং অঞ্চলত কৃষকৰ সমস্যা, বানপানীৰ সৈতে কৃষকসকলে কেনেধৰণৰ সহ-অৱস্থান কৰিব আৰু বিজ্ঞানসন্মত কৃষি প্ৰযুক্তিৰ প্ৰয়োগেৰে জীৱনধাৰণৰ মানদণ্ড কেনেকৈ উন্নত কৰিব পাৰি, সেই সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা হৈছিল। সেই প্ৰশিক্ষণৰ অংশ স্বৰূপে যোৱা ২৩, ২৪, ২৫ আৰু ৩১ জানুৱাৰীত বেচৰকাৰী সংস্থাটোৰ বিষয়ববীয়াদ্বয় আঞ্জেলোছ তিৰ্কী আৰু গাব্ৰিয়েল চাণ্ডিগুৰীয়াই দুয়োখন জিলাৰ তিনিশ সম্ভাৱনাময় কৃষকৰ মাজত মটৰ, গোমধান আদি শস্যৰ বীজ বিনামূলীয়াকৈ প্ৰদান কৰে। সংস্থাটিয়ে কৃষকসকলক কৃষি কাৰ্যৰ ক্ষেত্ৰত সজাগ কৰাৰ লগতে কৃষকসকলক স্বাৱলম্বী কৰোৱাৰ এই পদক্ষেপক কৃষক ৰাইজে শলাগিছে।

# চেলেং আঞ্চলিক সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, নকছাৰি, ১ ফেব্ৰুৱাৰী ঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলাৰ অন্তৰ্গত চেলেং আঞ্চলিক সমিতিৰ দশম ট্ৰি বাৰ্ষিক কাৰ্যকালৰ প্ৰথম বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয়। সভাখন চেলেং কলীয়াপানী ৰংগমঞ্চত দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হোৱা সভাৰ সভাপতিত্ব কৰে আঞ্চলিক সমিতিৰ সভাপতি পৱিত্ৰ গগৈয়ে। সভাৰ উদ্বোধক হিচাবে উপস্থিত থাকে সৰ্বভাৰতীয় চাহ সন্থাৰ উপ সভাপতি অচ্যুৎ প্ৰসাদ গিগৈয়ে, তেখেতে ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ জন্মৰ কথাৰ উপৰিও সন্থাৰ লৈক্ষ, উদ্দেশ্যৰ ওপৰত বহু কথা সভাত মন্তব্য আগবঢ়ায়। আঞ্চলিক সমিতিৰ সম্পাদক মদন গগৈয়ে আজিৰ সভাখনত আমাৰ সমিতিখনে গত বৰ্ষটিত কৰি যোৱা কামখিনিৰ খতিয়ান আপোনালোৰ আগত দাঙি ধৰা আৰু অহা বৰ্ষ কৰিব লগিয়া কাম সমূহৰ বাবে আপোনালোকৰ পৰা পৰামৰ্শ লোৱাই হল আজিৰ সভাৰ উদ্দেশ্য বুলি উদেশ্য ব্যাখ্যা দাঙি ধৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে যোৰহাট জিলা সমিতিৰ উপ সভাপতি দীপক বৰুৱায়। নিমন্ত্ৰিত অতিথি হিচাবে সভাত উপস্থিত থাকে যোৰহাট জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মহম্মদ নাছিৰুদ্দিন আহমেদ, দুয়োজনেই বৰ্তমান সময়ত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে নিজৰ উৎপাদিত কেঁচা চাহ পাতৰ উচিত মূল্য পোৱা নাই আৰু গুণগত মানদণ্ডৰ কেঁচা পাত উৎপাদন কৰিব পৰা সকলে উচিত মূল্য কিছু পৰিমাণে পাবলৈ সক্ষম হৈছে বুলি সকলোকে গুণগত মানদণ্ডৰ কেঁচাপাত উৎপাদন কৰিবলৈ অনুৰোধ জনায়। যোৰহাট জিলাৰ সম্পাদক কৃষ্ণ প্ৰসাদ শৰ্ম্মাই বৰ্তমান সময়ত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে ভাৰতীয় চাহ বৰ্ডৰ তৰফৰ পৰা দিয়া ৰাজ সাহায্যৰ বিষয়ে বিৱৰী কয়। এই ভাৰতীয় চাহ বৰ্ডৰ সুবিধা লাভ কৰিবলৈ হ'লে ভাৰতীয় চাহ বৰ্ডৰ পঞ্জীয়ন সদস্য হব লাগিব আৰু পঞ্জীয়ন কৰা সকলক চাহবৰ্ডৰ তৰফৰ পৰা এখনি "কিউ আৰ কাৰ্ড" দিয়ে সেইখন সকলোকে লবলৈ আহ্বান জনায় আৰু সন্থাৰ তৰফৰ পৰা খেতিয়ক সকলৰ প্ৰতিটো ক্ষেত্ৰত সুৰক্ষিত কৰি ৰাখিবলৈ যি পদক্ষেপ গ্ৰহণ কৰি আহিছে সেইবোৰ ৰাইজৰ আগত অৱগত কৰে। ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ মাজত আত্মসহায়ক গোট গঠন কৰি আমাৰ যোৰহাট জিলাত বৰ্তমানলৈকে যোৱা বৰ্ষত(২০২৫) প্ৰায় দুই কোটি টকাৰ বাগিচাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী পাবলৈ সক্ষম হৈছে আৰু অহা বৰ্ষত ও আপোনালোকে এই সুবিধা গ্ৰহণ কৰক আমি সন্থাৰ তৰফৰ পৰা সকলো সহায় আগবঢ়াম বুলি খেতিয়ক সকলক কথা দিয়ে। নিমন্ত্ৰিত অতিথি উত্তৰ পূব যোৰহাট আঞ্চলিক সমিতিৰ সভাপতি উৎপল বৰুৱাই বৰ্তমান চাহৰ বজাৰ খনৰ লগত কেনেধৰণে আমাৰ খেতিয়ক সকলে আগ বাঢ়িব লাগিব সেই বিষয়ে বহু পৰামৰ্শ আগবঢ়ায়। সভাৰ পৰ্যবেশক হিচাবে সভাত উপস্থিত থাকে জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভোদ্ৰেশ্বৰ বুঢ়াগোহাঁই। সভাত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বৰ্তমান সময়ত দেখা দিয়া সমস্যাৰ ওপৰত আলোচনা কৰাৰ লগতে তাৰ সমাধানৰ ওপৰত সভাত উপস্থিত জিলা বিষয় ববীয়া সকলে পৰামৰ্শ আগবঢ়ায়। শেষত চেলেং অঞ্চলিক সমিতিৰ পৰা প্ৰতিনিধিত্ব কৰি জিলাৰ উপসভাপতি পদত থকা দিগন্ত প্ৰদীপ নেওগে সভাত উপস্থিত হৈ খেতিয়ক সকলক দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে সকলোকে শলাগৰ শৰাই আগবঢ়ায়।

# ছাত্ৰ-ছাত্ৰীৰ হতুৱাই খেলপথাৰৰ বেৰ ভঙাক লৈ প্ৰতিক্ৰিয়া

## হাউলীৰ হালাপাকুৰীৰ খেলপথাৰক লৈ বিতৰ্ক অব্যাহত

**সংবাদদাতা, হাউলী, ১ ফেব্ৰুৱাৰী ঃ** হাউলীৰ হালাপাকুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাষতে লাগি থকা এখন খেলপথাৰত বিদ্যালয় গৃহ নিৰ্মাণক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় নগৰজাৰ ন-জোৱান ক্লাবে খেলপথাৰৰ মাজত বিদ্যালয় গৃহ নিৰ্মাণ কৰাৰ ফলত খেলপথাৰখন বিনষ্ট হোৱাৰ বাবে যোৱা প্ৰায় এবছৰেই বিৰোধিতা কৰি আহিছে। বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে আঠ কৌটি অনুদান লাভ কৰাৰ পিছৰেপৰা বিদ্যালয় খনৰ প্ৰধান জনে আকোৰগোজ মনোভাৱেৰে খেলপথাৰৰ মাজত বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে উঠি পৰি লাগি আহিছে। এই সন্দৰ্ভত অলপতে হালাপাকুৰী ন-জোৱান ক্লাবৰ তৰফৰ পৰা এখন সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদ মেলত ক্লাবৰ সদস্য সকলে জনোৱা মতে আমি বিদ্যালয়ৰ আন্তঃ গাঁথনিৰ বিৰোধী নহয়, আমাক বিদ্যালয়ৰ আন্তঃগাঁথনিও লাগিব আৰু খেলপথাৰো লাগিব। খেলপথাৰখন বচাই যিহেতু বিদ্যালয়ৰ আন্তঃ গাঁথনি কৰাৰ যথেষ্ট ভূমি আছে সেয়েহে খেলপথাৰখন আছুতীয়া কৈ ৰাখি বিদ্যালয় গৃহ নিৰ্মাণৰ অনুৰোধ জনাই আহিছে। এই ক্ষেত্ৰত বিদ্যালয় খনৰ পৰিচালনা সমিতি আৰু নগৰজাৰ ন-জোৱান ক্লাবৰ মাজত কেবাবাৰো বৈঠক অনুষ্ঠিত হয় যদিও উক্ত বিবাদৰ সমাধান নোহোৱাত খেলপথাৰখন বচোৱাৰ স্বাৰ্থত নগৰজাৰ ক্লাবৰ সম্পাদক ছৰিফুল আলম সহমুঠ ১১গৰাকীয়ে ন্যায়ালয়ৰ কাষ চাপে। গুৱাহাটী উচ্চ ন্যায়ালয়ত ডাব্লিউপি(চি)১০৫৭/২০২৫ নম্বৰত গোচৰ চলি চলি থকাৰ মাজতেইইতিমধ্যে খেলপথাৰৰ বাঁহৰ বেৰ বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ হতুৱাই ভাঙি নতুনকৈ বিদ্যালয় কৰ্তৃপক্ষই টিনৰ বেৰ লগাই দিয়ে। এতিয়া টিনৰ বেৰ দি গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ চলি থকাৰ সময়তেই বিদ্যালয় গৃহ নিৰ্মাণকাৰ্য আৰম্ভ কৰিছে। ইয়াকে লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তদুপৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পাঠদানৰ পৰা বিৰত ৰাখি খেলপথাৰৰ বেৰ ভাঙিবলৈ দিয়া কাৰ্যকলৈ ও সচেতন মহলৰ মাজত চৰ্চা অব্যাহত আছে। সংবাদ মেলখনত অভিযোগ উত্থাপন কৰি শিশুৰ যত্ন আৰু সুৰক্ষা আইন ২০১৬ উলংঘা কৰাৰ ভয়ংকৰ অভিযোগ উত্থাপন কৰে। যিহেতু পাঠদানৰ সময়ছোৱাত প্ৰায় তিনি ঘণ্টা ধৰি ছাত্ৰ ছাত্ৰী সকলক বেৰ ভঙা কামত নিয়োজিত কৰি ৰাখিছিল। এই সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষক ক্লাবৰ সদস্য সকলে বিহিত ব্যৱস্থা লোৱাৰ বাবে দাবী জনায়। তদুপৰি স্থানীয় ছাত্ৰ-ছাত্ৰী খেলুৱৈ সকলৰ স্বাৰ্থত খেলপথাৰখন সংৰক্ষিত কৰি খেলপথাৰখনৰ সোমাজত বিদ্যালয় গৃহ নিৰ্মাণ নকৰি উত্তৰ ফালে নিৰ্মাণ কৰিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনায়।

# ডিব্ৰুগড় তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ দিনযোৰা কাৰ্যসূচীৰে মে-ডাম-মে-ফি পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ ফেব্ৰুৱাৰী ঃ** তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ ডিব্ৰুগড়ৰ উদ্যোগত ডিব্ৰুগড়ত ৫৯ সংখ্যক মে-ডাম-মে-ফি দিনযোৰা কাৰ্যসূচীৰে পালন কৰা হয়। তাই আহোম সকলৰ পবিত্ৰ মে-ডাম-মে-ফি উৎসৱ উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পুলিন পুথাও সকলক স্মৰণ কৰিছে তাই আহোম সকলে। ডিব্ৰুগড় মহানগৰতো তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত পুৱাৰে পৰা মে-ডাম-মে-ফি উপলক্ষে বিভিন্ন কাৰ্যসূচীৰে দিৱসটি পালন কৰা হয়। এই উদ্দেশ্যে পুৱা সম্পাদক দুৰ্লভ গগৈয়ে আঁত ধৰা অনুষ্ঠানত পতাকা উত্তোলন কৰে সভাপতি হেমকান্ত দিহিঙীয়াই। ইয়াৰ পাছতে চাও নৱ ফুকন, যোগেন মহন, ধনেশ্বৰ কোঁৱৰ, ৰবীন ফুকন আৰু ভুৱন গগৈৰ দ্বাৰা মাংগলিক কাৰ্য সম্পন্ন হয়। এই অনুষ্ঠানত সংগীত শিক্ষক গন্ধেশ্বৰ চমুৱা আৰু ৰুং চেং চাংবুন ফুকনৰ পৰিচালনাত জাছিংফা বন্দনা কৰা হয়। সভাপতি হেমকান্ত দিহিঙীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানত বিশিষ্ট লিখক ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত লিট মাইহাং উন্মোচন কৰে সমাজ সেৱিকা, বিশিষ্ট লেখিকা ডঃ ভাৰতী দত্তই। গন্ধেশ্বৰ চমুৱাদ্বাৰা ৰচিত মাই হাং হেতখাম ফুৰা উন্মোচন কৰে অসম আহোম সভাৰ প্ৰাক্তন সভাপতি মহেন বুঢ়াগোহাঁইয়ে আৰু ৰিম্পী গগৈ দ্বাৰা ৰচিত 'মাই আহোম এলফাবেট' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ গগৈয়ে। অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, ডিব্ৰুগড় জিলা আহোম সভাৰ সভাপতি ৰঞ্জিত বৰুৱা, তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সম্পাদক পোনা গগৈ, বিশিষ্ট সমাজকৰ্মী তথা উদ্যোগপতি কুশল কোঁৱৰকে প্ৰমুখ্য কৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পবিত্ৰ মে- ডাম -মে -ফি উপলক্ষে ছাত্ৰ ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হৈ যোৱা চিত্ৰাংকন প্ৰতিযোগিতাৰ ক-শাখাৰ হৰ্ষিত প্ৰতীম কোঁৱৰ, দ্বিতীয় দিব্যান দাস, তৃতীয় গুঞ্জন ফুকন, খ-শাখাত প্ৰথম অন্বিতা দাস, দ্বিতীয় অভিশ্ৰুতি চলিহা আৰু তৃতীয় হৰপ্ৰিয়া স্বাগত গগৈ, গ-শাখাত প্ৰথম ভান্যা বৰুৱা, দ্বিতীয় অভিমন্যু দত্ত, তৃতীয় কৌশিক ৰাজবংশী আৰু ত্যাওচুহুং আৰু চুচেংফাৰ কৰ্মৰাজিৰ মূল্যায়ন বিষয়বস্তুক লৈ অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত প্ৰথমস্থান লাভ কৰা নিশ্চিতপ্ৰাণ বৰুৱা, দ্বিতীয় প্ৰিয়া লাহন, তৃতীয় আৰ্চিয়া দুৱাৰাক আৰু কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ক-শাখাৰ প্ৰথম মিষ্ঠদীপ চুতীয়া, দ্বিতীয় তৃৰ্ষাদৰ্শী গগৈ, তৃতীয় বৈভৱী শইকীয়া, খ-শাখাত প্ৰথম অভিশ্ৰুতি চলিহা, দ্বিতীয় অন্বিতা দাস, তৃতীয় অংশুমান মৃগনয়ন আৰু খ-শাখাৰ প্ৰথম দ্বীপ উজ্জ্বল বৰুৱা, দ্বিতীয় তেজস্বনী বৰগোহাঁই, তৃতীয় প্ৰিয়াংক্ষী ভৰলুৱাক পুৰস্কাৰ প্ৰদান কৰা লগতে কেইজনকো উদগনি মূলক ভাৱে পুৰস্কৃত কৰে। দীপক কুমাৰ চাংমাইৰ সভাপতিত্বত পৰিচালিত প্ৰতিযোগিতাত ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। আনহাতে ডিব্ৰুগড় জিলা সাংস্কৃতিক বিষয়া দ্বীপ উজ্জ্বল বৰুৱাই উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানত গন্ধেশ্বৰ চমুৱা পৰিচালনাত তাই ভাষা গীত, ৰুবী গগৈ সন্দিকৈ দ্বাৰা পৰিচালিত নৃত্য, ডাঃ ৰূপলেখা বৰবৰুৱাৰ দ্বাৰা পৰিচালিত নৃত্য আৰু শেৱালি গগৈ দ্বাৰা পৰিচালিত নৃত্য আৰু চেং ৰেন ফুৰা আহোমৰ আৰাধ্য দেৱতা নৃত্য সিদ্ধাৰ্থ শংকৰ ৰায়ে পৰিবেশন কৰি তাই আহোমৰ সকলৰ কৃষ্টি সংস্কৃতিৰে মুখৰিত হৈপৰা ডিব্ৰুগড়ৰ তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ। ডিব্ৰুগড় মহানগৰত বসবাস কৰা আহোম জনগোষ্ঠীৰ আৰু বিভিন্ন জনগোষ্ঠীয় লোক সকলে পূজা স্থলীত আহি পুলিন পুথাও তথা পূৰ্বপুৰুষ সকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰি আশীৰ্বাদ গ্ৰহণ কৰে। তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত অসম পৰ্যটন বিভাগৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা অতিথি হিচাপে উপস্থিত থাকি পুলিন পুথাওক সকল স্মৰণ কৰি ঋতুপৰ্ণ বৰুৱাই কয়, নতুন প্ৰজন্মক নিজৰ শিপা আৰু সংস্কৃতিৰ সৈতে পৰিচিত কৰাবলৈ মে' ডাম মে' ফিৰ দৰে উৎসৱৰ গুৰুত্ব অপৰিসীম। এই ধৰণৰ অনুষ্ঠানৰ জৰিয়তে তাই আহোমৰ গৌৰৱময় ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰ প্ৰসাৰ কৰাটো সময়ৰ প্ৰয়োজন। অসমৰ দ্বিতীয় ৰাজধানী ডিব্ৰুগড় মহানগৰৰ মাজমজিয়াত তাই আহোম সকলে নিজৰ পৰম্পৰা, সংস্কৃতিক ৰখা পদক্ষেপক ৰাইজে শলাগ লৈছো। ডিব্ৰুগড়ৰ তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত এই মে'-ডাম-মে'-ফি উৎসৱে পুনৰ এবাৰ তাই আহোম সমাজৰ ঐক্য, সংস্কৃতি আৰু পৰম্পৰাক উজলাই তুলিলে।

# ৰঙিয়াৰ বৰমূৰা খানাপাৰা চুবুৰীত মাঘী পূৰ্ণিমা তিথি উদ্‌যাপন

**অসম বাৰ্তা, ৰঙিয়া, ১ ফেব্ৰুৱাৰী ঃ** ৰঙিয়াৰ বৰমূৰা খানাপাৰা চুবুৰীত আজি দিনজোৰা কাৰ্যসূচীৰে মাঘী পূৰ্ণিমা উৎসব উদ্‌যাপন কৰা হৈছে। তদুপলক্ষে পুৱাৰ ভাগত গাঁও উন্নয়ন সমিতিৰ পতাকা উত্তোলন, ধৰ্মধ্বজা উত্তোলন আৰু প্ৰাগজ্যোতি সংঘৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণৰ পিছত বিশিষ্ট সমাজকৰ্মী নাৰায়ন কলিতাই মুখ্য দ্বাৰ উন্মোচন কৰে। দিনৰ ভাগত শ্ৰীমদ্ভাগৱত ভ্ৰমণ আৰু স্থাপনৰ পিছতে পাঠ কৰে দেবেন্দ্ৰ ৰয়ে। সন্ধিয়া বঁটা বিতৰণী অনুষ্ঠান, চুবুৰীৰ প্ৰতিটো পৰিয়ালৰ পদূলিমুখ, নামঘৰ প্ৰাঙ্গণত বন্তি প্ৰজ্বলনৰ লগতে আমন্ত্ৰিত অতিথিৰ সম্বৰ্ধনা, ভোগ বিতৰণ আৰু নাগাৰা নাম পৰিৱেশন কৰা হ'ব বুলি জানিবলৈ দিয়ে উদ্যোক্তা সকলে।

কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক 'মাজুলী বন্ধু' উপাধিৰে সন্মান প্ৰদান

# সদৌ মাজুলী জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত চিলাৰায় দিৱস উদযাপন

## প্ৰয়াত ললিত দত্তক মৰণোত্তৰভাৱে ২০২৬ বৰ্ষৰ "বিশ্বমহাবীৰ চিলাৰায় বঁটা" প্ৰদান



**অসম বাৰ্তা, উজনী মাজুলী, ১ ফেব্ৰুৱাৰী ঃ** সদৌ মাজুলী জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আজি ৫১৬ তম্ বীৰ চিলাৰায় দিৱসটো দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। মাজুলীৰ গড়মূৰ স্থিত চিলাৰায় ভৱনত পুৱা পতাকা উত্তোলন কৰে সদৌ মাজুলী কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্তই। ইয়াৰ পিছতেই সংগঠনটোৰ উপদেষ্টা দেৱজিৎ বৰুৱা, সম্পাদক ক্ষীৰোদ বৰাকে ধৰি অনুষ্ঠানত উপস্থিত থকা বহুকেইজন বিশিষ্ট ব্যক্তিয়ে চিলাৰায়ৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানত গোপালপুৰ গাঁও মহিলা সমাজ আৰু কমলপুৰ গাঁও মহিলা সমাজে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই দিহানাম পৰিৱেশন কৰাৰ পিছতেই কণমানি প্ৰিয়া দত্তই জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে। শিল্পী দেৱজিৎ বৰাৰ মূকাভিনয়ৰ পিছতেই মূল অনুষ্ঠান অনুষ্ঠিত হয়। সদৌ মাজুলী জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্তৰ সঞ্চালনাত অনুষ্ঠিত 'আশিস অনুষ্ঠান' উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই। অনুষ্ঠানতে ২০২৫ বৰ্ষত পোনপ্ৰথমবাৰৰ বাবে সদৌ মাজুলী জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাই প্ৰৱৰ্তন কৰা বিশ্বমহাবীৰ চিলাৰায় বঁটা মাজুলীৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ ধ্বজাবাহক, কোঁচ-ৰাজবংশী সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ললিত দত্তক মৰনোত্তৰ ভাবে প্ৰদান কৰে। তেওঁৰ পৰিয়ালৰ লোক উপস্থিত থাকি উক্ত বঁটা গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৪০ দশকৰ উচ্চ শিক্ষাৰে শিক্ষিত প্ৰয়াত দত্ত ডাঙৰীয়াই মেৰাগড় নাৰায়ণদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কৰ্মৰত থাকি বিভিন্ন সামাজিক সাংস্কৃতিক ভাবে জাতীয়জীৱনলৈ বৰঙনি আগবঢ়োৱাৰ উপৰিও নিজৰ জাতি স্বত্বাক অগ্ৰাধিকাৰ দি ৮০ দশকত কোচ-ৰাজবংশী সন্মিলনী গঠন কৰি প্ৰতিষ্ঠাপক সভাপতি হিচাপে জনগোষ্ঠীটোৰ উত্তৰনত উল্লেখযোগ্য বৰঙনি আগবঢ়াই গৈছে। সেয়ে তেখেতৰ কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে মাজুলীৰ আত্ৰাছুয়ে তেখেতৰ লগতে পৰিয়ালবৰ্গলৈ এই সন্মান প্ৰদান কৰে। ইফালে উক্ত অনুষ্ঠানত কোচ-ৰাজবংশী জনগোষ্ঠীৰ জ্যেষ্ঠ ব্যক্তি তথা জাতীয়জীৱনলৈ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়োৱা ৮০ জন বিশিষ্ট ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জনায়। ৰাজীৱ কমল শইকীয়া আৰু দেৱজিৎ বৰুৱাই আঁত ধৰা অনুষ্ঠানতে বিশিষ্ট সাহিত্যিক তথা বুদ্ধিজীৱী, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক "মাজুলী বন্ধু" উপাধিৰে সন্মানিত কৰা হয়। লগতে ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক বিশেষভাৱে সম্বৰ্ধনা জনায়। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী বাচাৰাম বৰুৱা, চন্দ্ৰ কমল শইকীয়া, মধ্য মাজুলী জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অমূল্য বৰা, প্ৰাক্তন শিক্ষক জীৱন বৰা, নিত্যানন্দ দত্ত অৱসৰপ্ৰাপ্ত ৰাজপত্ৰিত বিষয়া জীৱেশ্বৰী বৰা প্ৰমুখ্যে মাজুলীৰ বিভিন্ন ক্ষেত্ৰৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি তথা ৰাইজ উপস্থিত থাকে।

গোৱালপাৰা পশ্চিম সমজিলা আয়ুক্তৰ স্থায়ী কাৰ্যালয়ৰ আধাৰশিলা স্থাপন

# গোৱালপাৰা পশ্চিম জনজাতি বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ চেক বিতৰণ

## চুইমিং পুল, ক্ৰিকেট পেভিলিয়ন উদ্বোধন

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰাৰ আগিয়াত উপস্থিত হৈ "মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচনি"ৰ অধীনত ১৩নং গোৱালপাৰা পশ্চিম (জনজাতি) বিধানসভা সমষ্টিৰ আত্মসহায়ক গোট সমূহৰ ২৪ হেজাৰ ৪৭৮ গৰাকী হিতাধিকাৰীৰ মাজত দহ হাজাৰ টকাকৈ চেক যোগে বিতৰণ কৰে। ৱালপাৰা জিলা প্ৰশাসনে আগিয়াৰ বালিজানা বিহুফিল্ডত আয়োজন কৰা "মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচনি"ৰ চেক বিতৰণ অনুষ্ঠানত মুখ্যমন্ত্ৰী গৰাকীয়ে অংশগ্ৰহণ কৰি হিতাধিকাৰী সকলৰ মাজত আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰাৰ লগতে অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে হিতাধিকাৰী মহিলা সকলক তেওঁলোকে লাভ কৰা এই ধনৰাশি এনেই অলাগতিয়াল বয়-বস্তু ক্ৰয় কৰি খৰচ নকৰি উদ্‌পাদনশীল কামত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। মহিলা সকলক এই ১০ হাজাৰ টকা নিজৰ গোটত জমা দি সমূহীয়াকৈ বা নিজাববীয়াকৈ ব্যৱসায়, ক্ষুদ্ৰ উদ্যোগ বা আন উদ্‌পাদনশীল কামত খটুৱাবলৈ অথবা ঘৰত ইতিমধ্যে থকা ব্যৱসায় বা ফাৰ্ম আদিত বিনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ে আহ্বান জনায়। তেনে উদ্যমী মহিলাসকলক অনাগত দ্বিতীয় বৰ্ষত ২৫ হেজাৰ টকাকৈ প্ৰদান কৰিব বুলি আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। লগতে তেখেতে উল্লেখ কৰে মুখ্যমন্ত্ৰী হিচাপে অসমৰ উদ্যমী মহিলাসকলক "লাখপতি" হিচাপে প্ৰতিস্থিত কৰাৰ যি সপোন তাক বাস্তৱায়িত কৰাৰ বাবে ১০ হাজাৰ আৰু ২৫ হাজাৰকৈ টকা দিয়াৰ পাছত তৃতীয়টো বৰ্ষত ৫০ হাজাৰকৈ টকা প্ৰদান কৰিব। মুখ্যমন্ত্ৰী মহোদয়ৰ এই ঘোষণাত সভাত উপস্থিত থকা মহিলা হিতাধিকাৰীসকল যথেষ্ট উৎসাহী হোৱা পৰিলক্ষিত হয়। অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ ৩২ লাখ মহিলাক উপকৃত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰি "মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি"খনৰ আজি গোৱালপাৰা পশ্চিম (জনজাতি) সমষ্টিত অনুষ্ঠিত হোৱা এই সভাখন ১০৩ সংখ্যক সভা। ১০৩টা বিধানসভা সমষ্টিত অসম চৰকাৰৰ "মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি"খনৰে ৰাজ্যৰ ২৬ লাখ মহিলাক ইতিমধ্যে উপকৃত কৰা হৈছে আৰু অহা কেইটামান দিনৰ ভিতৰতে বাকী থকা ২৩টা বিধানসভা সমষ্টিটো "মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি"ৰ চেক বিতৰণ কৰা হব বুলি আজি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। আজিৰ অনুষ্ঠানতে মাননিয় মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আগিয়াত নিৰ্মাণ হবলগীয়া গোৱালপাৰা পশ্চিম সমজিলা আয়ুক্তৰ কাৰ্যালয়টো ভাৰ্চুৱেলী আধাৰশিলা স্থাপন কৰে। গোৱালপাৰাৰ ডিনেন্দ্ৰ নাৰায়ণ সিংহ ষ্টেডিয়ামত অসম চৰকাৰৰ CIDF আঁচনিৰ ধনেৰে নিৰ্মাণ কৰি উলিওৱা চুইমিং পুলটো আৰু অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট পেভিলিয়নটো অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেলী উদ্বোধন কৰে। অনুষ্ঠানৰ শেষাংশত সংবাদদাতা সকলৰ লগত হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী গৰাকীয়ে গোৱালপাৰা চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ প্ৰক্ৰিয়া চলি আছে বুলি উল্লেখ কৰে। আজি অনুষ্ঠিত হোৱা "মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আচনি"ৰ চেক বিতৰণ অনুষ্ঠানত - গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং, গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মৃগাংক চৌধুৰী, গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্ৰহ্মকে আদি কৰি জিলা প্ৰশাসনৰ অন্যান্য বিষয়া কৰ্মচাৰীসকলে সক্ৰিয়ভাৱে উপস্থিত থাকে। আনহাতে আমন্ত্ৰিত অতিথি হিচাপে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা আৰু সাধাৰণ সদস্যা সুচিত্ৰা নাথ, গোৱালপাৰা জিলা পৰিষদৰ সভাপতি মহন্ত ৰাভা, লক্ষ্মীপুৰ পৌৰসভাৰ সভাপতি ৰাজেশ প্ৰসাদ গুপ্তা, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ পৰিচালন সঞ্চালক কুণ্টলমণি শৰ্মা বৰদলৈ, অসম বিত্তীয় নিগমৰ অধ্যক্ষ ৰূপম গোস্বামী, অসম চৰকাৰী বেচা কিনা নিগমৰ অধ্যক্ষ আব্দুৰ ৰহিম জিব্ৰান, অসম শক্তি বিতৰণ নিগম লিমিটেডৰ সঞ্চালক ডং প্ৰকাশ কাশ্যপ, গোৱালপাৰা উন্নয়ন প্ৰাধিকৰণৰ সভাপতি দীপক কুমাৰ নাথ, গোৱালপাৰা জিলা বিজেপিৰ সভাপতি দীপাংক নাথ আদিয়ে অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত ১৩ নং গোৱালপাৰা পশ্চিম (জনজাতি) বিধানসভা সমষ্টিত মুঠ ২৪, ৪৭৮ গৰাকী মহিলা লাভাৱান্বিত হৈছে। ইয়াৰ ভিতৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ ২৩, ১৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাই ১০ হাজাৰ টকাকৈ আৰু গাওঁ সভাৰ ১১২ গৰাকী কেদাৰে ১৫ হাজাৰ টকাকৈ লাভ কৰিছে। আনহাতে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটৰ ১২১০ সদস্যাক ১০ হাজাৰ টকাকৈ আৰু দুগাৰকী সম্প্ৰদায় কেদাৰে ১৫ হাজাৰকৈ টকা চেক যোগে লাভ কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে আজি গোৱালপাৰা পশ্চিম (জনজাতি) বিধানসভা সমষ্টিত বিতৰণ কৰা সৰ্বমুঠ ধনৰ পৰিমাণ ২৪ কোটি ৫৩ লাখ ৫০ হাজাৰ টকা।

# উজনি অসমৰ মুছলমানৰ বাবে অৰ্থনৈতিক স্বায়ত্ত পৰিষদৰ গঠনৰ দাবী

## ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ নামত খিলঞ্জীয়া মুছলমানক হাৰাশাস্তিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজনি অসম মুছলিম কল্যাণ পৰিষদৰ

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ প্ৰেছক্লাবৰ সভাকক্ষত আজি উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সভাখন হয়। পুৱা সমজোৱা দোৱা আৰু জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াৰ সঞ্চালনাত কাৰ্যনিৰ্বাহ সভাখন অনুষ্ঠিত হয়। উজনি অসমৰ জিলাৰ শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ এই সভাৰ তাৎপৰ্য ব্যাখ্যা কৰে কল্যাণ পৰিষদৰ সাধাৰণ সম্পাদক চামচুল হুছেইনে। এই সভাত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা হাৰুনল ৰচিদে নতুনকৈ সংশোধন কৰা সংবিধানখন দাখিল কৰাৰ পাছতেই সৰ্বসন্মতিক্ৰমে গৃহীত কৰা হয়। সভাত উজনি অসমৰ আটাইকেইখন জিলাৰ প্ৰতিনিধিয়ে নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ সংশোধন ( এছ আৰ)ৰ ৰূপায়ণ কৰাৰ নামত এক দুষ্ট চক্ৰই ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে ভুৱা অভিযোগেৰে খিলঞ্জীয়া মুছলমানৰ নাম কৰ্তন কৰি হাৰাশাস্তি কৰা কাৰ্যৰ তীব্ৰ ক্ষোভ প্ৰকাশ কৰি নিৰ্বাচন আয়োগ আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে গণতান্ত্ৰিক সংগ্ৰাম আৰম্ভ কৰাৰ সংকল্প গ্ৰহণ কৰে। মিঞাৰ নাম লৈ ৰাজ্য চৰকাৰে খিলঞ্জীয়া গৰিয়া মৰিয়া সকলৰ নাম কৰ্তন কৰাৰ কাৰ্যৰ সভাই তীব্ৰ গৰিহণা দিয়ে। সভাত বিভিন্ন জিলাৰ প্ৰতিনিধি সকলে পৰিষদৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ অৰ্থে কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। এই সভাত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই কয় যে, উজনি অসমৰ মুছলমান সকল দীৰ্ঘদিন ধৰি বিভিন্ন ক্ষেত্ৰত শোষিত নিষ্পেষিত হৈ আহিছে। ১৯৯৪ চনতেই আহোম যুগৰ পৰা বসবাস কৰি অহা গৰিয়া জনগোষ্ঠীক অ বি চি প্ৰদানৰ বাবে সেই সময়ৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক প্ৰথমবাৰৰ বাবে দাবী উত্থাপন কৰিছিল আজি পৰ্যন্ত



কোনোধৰণৰ কোনো এখন চৰকাৰে আমাৰ দাবীৰ প্ৰতি গুৰুত্ব আৰোপ নকৰিলে। বিভিন্ন ক্ষেত্ৰত অস্তিত্ব বিপন্ন হৈ পৰা অসমৰ খিলঞ্জীয়া মুছলমান সকলক সাংবিধানিক সুৰক্ষা প্ৰদান কৰিব লাগিব। বৰ্তমান উজনি অসমৰ ৮০ শতাংশ মুছলমান বৰ্তমান দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰি আহিছে। সেয়েহে চৰকাৰী বেচৰকাৰী প্ৰতিষ্ঠানৰ নিগম নিকায় আদিত নিবনুৱা যুৱক যুৱতী সকলক ১৫ শতাংশ নিযুক্তিৰ ব্যৱস্থা কৰাৰ বাবে বড়াই দাবী জনায়। সেইবাবে প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই অসম বিধানসভাত উত্থাপন কৰা নিযুক্তি অধ্যাদেশ-১৯৯৪ তৎকালে অসম চৰকাৰে কাৰ্যকৰী কৰিবই লাগিব। অসম চৰকাৰে উজনি অসমৰ মুছলমানৰ সামগ্ৰিক উন্নয়ন আৰু বিকাশৰ অৰ্থে উপগ্ৰহীয় আৰ্হিৰ অৰ্থনৈতিক স্বায়ত্ত পৰিষদ গঠন বাবে দাবী জনোৱাৰ লগতে এখন পৃথক সঞ্চালকালয় আৰু ১০০০ কোটি টকাৰ কেন্দ্ৰীয় অৰ্থনৈতিক পেকেজ ঘোষণা কৰিবলৈ চৰকাৰৰ প্ৰতি দাবী উত্থাপন কৰে। হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছতেই খিলঞ্জীয়া মুছলমানৰ বাবে জৰীপ কৰাৰ প্ৰতিশ্ৰুতি দি ৫ বছৰে এই প্ৰতিশ্ৰুতি পালন নকৰি খিলঞ্জীয়া মুছলমানৰ প্ৰতি চৰম অন্যায় কৰা বুলি বড়াই উল্লেখ কৰে। সভাত শিৱসাগৰৰ বুবুটি বড়া, ডিব্ৰুগড়ৰ হিফজুৰ ৰহমান, চৰাইদেউৰ চাহজাহান আলি, গোলাঘাটৰ ৰহিমুদ্দিন আহমেদ, লখিমপুৰৰ কৰ্ণেল আব্দুল মালিক, তিনিচুকীয়াৰ ফিৰোজ আহমেদ, ইমৰান ছিদ্দিকিয়ে মুছলমান সকলৰ প্ৰাপ্য অধিকাৰৰ বাবে এখন গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলাৰ পোষকতা কৰে। এই সভাত উপদেষ্টা জলিলুৰ ৰহমান, কেন্দ্ৰীয় বিত্ত সম্পাদক চামাদ আলি, মুখপাত্ৰ অহিদুৰ জামান চৌধুৰীকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# সংগীতা শইকীয়াৰ গ্ৰন্থ As Life Moves On আনুষ্ঠানিকভাৱে উন্মোচন

**অসম বাৰ্তা, সোণাপুৰ, ১ ফেব্ৰুৱাৰী ঃ** অসম অসামৰিক সেৱা বিষয়া সংগীতা শইকীয়াৰ ৰচিত গ্ৰন্থ As Life Moves On শুকুৰবাৰে বিয়লী বিষ্ণু নিৰ্মলা শিশু পুথিভঁৰালত আয়োজিত এক সাহিত্যিক অনুষ্ঠানত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত ভাৰতীয় আৰক্ষী সেৱা বিষয়া তথা প্ৰখ্যাত সাহিত্যিক কুলধৰ শইকীয়া। উক্ত অনুষ্ঠানত তেখেতৰ লগতে বিশিষ্ট লেখক শ্বেখ মহম্মদ চাহেব অল আহমদ, নিলোৎপল গোহাঁই আৰু ৰিত্তিকা ফুকনো উপস্থিত থাকে। অনুষ্ঠানটোত সাহিত্য, জীৱনৰ অভিজ্ঞতা আৰু লেখাৰ জৰিয়তে আত্ম-অনুসন্ধান লাভৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। লেখক, অধ্যাপক, পাঠক আৰু সাহিত্যপ্ৰেমীসকলৰ উপস্থিতিত অনুষ্ঠানটো এক মনোগ্ৰাহী সাহিত্যিক সমাৰেশলৈ




ৰূপান্তৰিত হয়। As Life Moves On এখন মননশীল সাহিত্যকৰ্ম, য'ত জীৱনৰ পৰিৱৰ্তন, মানসিক দৃঢ়তা আৰু দৈনন্দিন জীৱনত লুকাই থকা নিঃশব্দ কাহিনীবোৰ সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। অন্তৰ্দৃষ্টিপূৰ্ণ বৰ্ণনাৰ জৰিয়তে লেখিকা সংগীতা শইকীয়াই পাঠকক ব্যক্তিগত যদিও সৰ্বজনীনভাৱে অনুভৱযোগ্য বিকাশ, সহনশীলতা আৰু আত্ম-উপলব্ধিৰ এক যাত্ৰালৈ লৈ যায়। এই গ্ৰন্থ উন্মোচন অনুষ্ঠানটো অসমীয়াৰ বিকাশমান সাহিত্য জগতলৈ এক গুৰুত্বপূৰ্ণ সংযোজন হিচাপে পৰিগণিত হৈছে আৰু সমকালীন ভাৰতীয় সাহিত্যত আঞ্চলিক লেখকৰ কণ্ঠস্বৰ অধিক দৃঢ়ভাৱে প্ৰতিফলিত কৰিছে।

'চাহ কৰ্মচাৰীৰ প্ৰতিটো সমস্যা সমাধানৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰক'

# শ্বহীদ নগৰী ঢেকীয়াজুলিত অনুষ্ঠিত অসম চাহ কৰ্মচাৰী সংঘৰ বৰছলা শাখাৰ ৬৩ তম্ ত্ৰি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিত অসম চাহ কৰ্মচাৰী সংঘৰ বৰছলা শাখা সমিতিৰ ৬৩ তম ত্ৰি-বাৰ্ষিক অধিবেশন সফলভাৱে সমাপ্ত হয়। অঞ্চলজুৰি উৎসৱমুখৰ পৰিৱেশৰ মাজত আয়োজিত এই অধিবেশনত সংগঠনৰ সদস্য, বিষয়ববীয়া তথা বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি সকলে অংশগ্ৰহণ কৰে। অধিবেশনৰ কাৰ্যসূচীৰ শুভাৰম্ভ হয় এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে। ইয়াৰ পিছতে পতকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা ৯ বজাত অসম চাহ কৰ্মচাৰী সংঘৰ বৰছলা শাখাৰ সভাপতি কমলেশ্বৰ মেধিয়ে সংঘৰ পতাকা উত্তোলন কৰে। একে সময়তে ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ পতকা উত্তোলন কৰে অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি অনন্ত বৰদলৈ দেৱে, য'ত তেখেতক সহযোগিতা আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সম্পাদক নবীন চন্দ্ৰ তাঁতীয়ে। সমান্তৰালভাৱে পুৱা ১০ বজাত সভাগৃহৰ দ্বাৰ মুকলি কৰে বিশিষ্ট সমাজসেৱক তথা সমাজ সংস্কাৰক ধ্ৰুৱ ভূষণ মহন্তই। তেখেতৰ উপস্থিতিত সভাগৃহত উপস্থিত ৰাইজৰ মাজত সংগঠনটোৰ আদৰ্শ আৰু উদ্দেশ্য সম্পৰ্কে ইতিবাচক আলোচনা হয়। ইয়াৰ পিছতে অনুষ্ঠিত হয় অসম চাহ কৰ্মচাৰী সংঘৰ বৰছলা শাখা সমিতিৰ গুৰুত্বপূৰ্ণ প্ৰতিনিধি সভা। এই প্ৰতিনিধি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সম্পাদক ঋষভ কলিতা। সভাত অংশগ্ৰহণ কৰি ঋষভ কলিতাই সংগঠনটোৰ শক্তিশালীকৰণ, চাহ কৰ্মচাৰীসকলৰ অধিকাৰ সংৰক্ষণ আৰু ভৱিষ্যৎ কৰ্মপন্থা সন্দৰ্ভত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। প্ৰতিনিধি সভাৰ অন্তত সংগঠনটোৰ নতুনকৈ বৰছলা শাখা সমিতি গঠন কৰা হয়। ৰাতুল ডেকাক সভাপতি, অমিয় কুমাৰ ভট্টাচাৰ্যীক সম্পাদক আৰু দীপক শৰ্মাক কোষাধ্যক্ষ হিচাপে লৈ মুঠ ১১ জনীয়া সদস্যৰে অসম চাহ কৰ্মচাৰী সংঘৰ বৰছলা শাখা সমিতি গঠন কৰা হয়। এই অধিৱেশনৰ জৰিয়তে অসম চাহ কৰ্মচাৰী সংঘৰ বৰছলা শাখাই সংগঠনটোৰ ঐক্য আৰু শক্তি পুনৰ দৃঢ় কৰাৰ লগতে চাহ কৰ্মচাৰী সমাজৰ হিতাৰ্থে আগন্তুক দিনত অধিক সক্ৰিয়ভাৱে কাম কৰাৰ সংকল্প গ্ৰহণ কৰে। ইয়াৰ পিছত জুবিন গাৰ্গৰ সোঁৱৰণিত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে। সাংস্কৃতিক অনুষ্ঠান সমাপ্তৰ পিছতে সমূহ কাৰ্যসূচীৰ সফল সামৰণি পেলায়।

৫ গৰাকী ছাত্ৰীৰ নৃত্য প্ৰদৰ্শনৰ বাবে মুম্বাইলৈ যোৱাৰ সুযোগ লাভ

# গহপুৰৰ ক্ৰিছ ডান্স একাডেমিৰ চমকপ্ৰদ সাফল্য

**অসম বাৰ্তা, গহপুৰ, ১ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ অসমবাসীৰ লগতে গহপুৰ বাসীৰ বাবে সুখবৰ। উত্তৰ পূৰ্বাঞ্চল ভিত্তিত গুৱাহাটীৰ মালিগাঁৱত কালি অনুষ্ঠিত হোৱা Assam Got Talent প্ৰতিযোগিতাৰ Season 10 প্ৰতিযোগিতাত গহপুৰৰ ৫ গৰাকী প্ৰতিযোগী বিজয়ী হৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গহপুৰৰ জনপ্ৰিয় আৰু অভিজ্ঞ নৃত্য প্ৰশিক্ষক ক্ৰিছ দাসৰ দ্বাৰা পৰিচালিত KRISH DANCE ACADEMY ৰ জৰিয়তে ৫ গৰাকী ছাত্ৰী ক্ৰমে প্ৰীয়া দাস, ৰশ্মিতা ঘোষ, শৰণ্যা



হাজৰিকা, লিডিয়া বসুমতাৰী আৰু পৰিনীতা বৰাই আসাম গট টেলেণ্টত অংশ লৈছিল। নিজৰ প্ৰতিভা আৰু নেৰানেপেৰা প্ৰচেষ্টাৰ বলত ইমান এখন ডাঙৰ মঞ্চত তেওঁলোক বিজয়ী হ'বলৈ সক্ষম হৈছে। এইবিজয়ৰ পাছতেই উক্ত পাঁচ গৰাকী ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ মুম্বাইলৈ যোৱাৰ সুযোগ লাভ কৰিছে। গহপুৰৰ কৃষ্টি-সংস্কৃতি প্ৰেমী ৰাইজে নৃত্য প্ৰশিক্ষক ক্ৰিছ দাসৰ লগতে ছাত্ৰী কেইগৰাকীক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে-নিত্য নতুন আকৰ্ষণীয় নৃত্য শৈলীৰ জৰিয়তে যুৱ নৃত্য প্ৰশিক্ষক ক্ৰিছ দাসে এক নতুনত্ব প্ৰদান কৰিছে গহপুৰৰ সাংস্কৃতিক ক্ষেত্ৰত। তেওঁৰ এইনৃত্য প্ৰশিক্ষণৰ পদ্ধতিক শলাগ লৈছে গহপুৰৰ সংস্কৃতি প্ৰেমী ৰাইজে।

# অসম সাহিত্য সভাৰ গুৱাহাটী অধিৱেশনত ভাওনা পৰিৱেশন

**অসম বাৰ্তা, জাঁজী, ১ ফেব্ৰুৱাৰী ঃ** কালি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ পঞ্চৰত্ন-গুৱাহাটী অধিৱেশনৰ আদৰণী সমিতিৰ "অংকীয়া ভাওনা নাট্য সাহিত্য লোক সাহিত্য উপশমিতি"ৰ উদ্যোগত সন্ধিয়া ৬ বজাৰ পৰা প্ৰদৰ্শন হয় গুৰুজনাৰ সৃষ্ট ভাওনা "সিন্ধুমুনিৰ পিতৃভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ"। উল্লেখ্য যে "অংকীয়া ভাওনা নাট্য সাহিত্য লোক সাহিত্য উপসমিতি"ৰ দায়িত্বত থকা কাৰ্যকৰী সভাপতি ড° শিখামনি বেজবৰুৱা গোস্বামীৰ তত্বাৱধনত অনুষ্ঠিত আৰু "ইত্যাদি" মহিলা শিল্পী দলৰ দ্বাৰা অভিনীত ভাওনাখনিত পৰিচালনা আছিল যোৰহাটৰ প্ৰকাশজ্যোতি বৰাৰ। শেষলৈকে অগণন দৰ্শকৰ সমাবেশ ঘটে। ভাওনাৰ আৰম্ভণিতে ৰিকুমনি মৰলৰ বৰগীত পৰিবেশন, মৈত্ৰেয়ী মৰল আৰু সংগীবৃন্দৰ সত্ৰীয়া ঝুমুৰা নৃত্য আৰু সত্ৰীয়া প্ৰশিক্ষক অতুল ভূঞাই প্ৰদৰ্শন কৰে সংস্কৃত দশৱতাৰ নৃত্য। ডঃ শিখামনি বেজবৰুৱা, ড° নবিন গগৈ, দিলীপ কুমাৰ দাস, দীপেন কুমাৰ কাকতি আৰু মৃণালী ভৰালীয়ে বন্তি প্ৰজলন কৰা ভাওনাত উদ্বোধক হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী ৰমেন চন্দ্ৰ বৰঠাকুৰ। ড° সুৰঞ্জনা কলিতাই সঞ্চালনা কৰা অনুষ্ঠানটিত বিশিষ্ট সমাজকৰ্মী তিলক বৈশ্য, মুকুল নাৰায়ণ বৰ্মণ, অনিতা চৌধুৰী আৰু নাট পৰিচালক প্ৰকাশজ্যোতি বৰাক মঞ্চত সম্বৰ্দ্ধনা জনোৱা হয়। ভাওনা মঞ্চত পদ্মশ্ৰী নুৰুদ্দিন আহমেদৰ দৃশ্যসজ্জাৰ গুৰুআসন আৰু অগ্নিগড়ে শুভা বৰ্ধন কৰে আৰু শেষলৈকে অগণন দৰ্শক উপস্থিত থাকে।

# শ্বৰিয়তপুৰ হাইস্কুলৰ ৰফিকুল ইছলাম খানক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে দায়িত্বভাৰ গ্ৰহণ

**অসম বাৰ্তা, জনীয়া, ১ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ ৰূপসী শিক্ষা খণ্ডৰ অন্তৰ্গত শ্বৰিয়তপুৰ হাইস্কুলৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি চমুকৈ এচ এম ডি চিয়ে আজি (২ ফেব্ৰুৱাৰী) বিদ্যালযখনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে ৰফিকুল ইছলাম খানক দায়িত্বভাৰ অৰ্পণ কৰে। তদুপলক্ষে এচ এম ডি চিৰ সভাপতি আদম খানৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সমাজকৰ্মী আব্দুল আওৱাল আহমেদে। পুৰ্বৰ প্ৰধান শিক্ষক আবুতাহেৰ খান অৱসৰ গ্ৰহণৰ পিছত বিভাগীয় কৰ্তৃপক্ষই ৰফিকুল ইছলাম খানক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে দায়িত্ব দিয়ে। কিন্তু সভাত বিদায়ী প্ৰধান শিক্ষক আবুতাহেৰ খানে নতুন প্ৰধান শিক্ষকগৰাকীক দায়িত্বভাৰ অৰ্পণৰ সময়ত অনুপস্থিত থকাত লৈয়ো সচেতন মহলৰ মাজত চৰ্চা লাভ কৰে। উল্লেখ্য যে পুৰ্বৰ প্ৰধান শিক্ষক গৰাকীয়ে বিদ্যালয়খনৰ হিচাব নিকাচ দিয়াৰ পৰা ৰহস্যজনকভাৱে বিৰত আছে বুলি এচ এম ডি চিৰ সভাপতিয়ে সাংবাদিকক জানিবলৈ দিয়ে। পূৰ্বৰ প্ৰধান শিক্ষকগৰাকীৰ কাৰ্যকালৰ সময়ত সভাপতিয়ে চহী নকৰাত তেওঁক ভাবুকি দিয়াৰো অভিযোগ তোলে স্বয়ং এচ এম ডি চিৰ সভাপতিয়ে । এচ এম ডি চিৰ সাধাৰণ সভাত কেবাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক, আঞ্চলিক সদস্যই বক্তব্য প্ৰদান কৰে। প্ৰত্যেক গৰাকীয়ে নতুনকৈ দায়িত্ব লোৱা ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰফিকুল ইছলাম খান অন্যান্য শিক্ষক শিক্ষয়িত্ৰীক মানি চলিবলৈ পৰামৰ্শ দিয়ে আৰু প্ৰধান শিক্ষক গৰাকীক বিদ্যালয়ৰ কাম কাজৰ ক্ষেত্ৰত আলোচনাৰ মাজেৰে নিয়াৰিযয়াকৈ চলাই নিবলৈ পৰামৰ্শ দিয়ে।

# জীৱনজোৰা সাধনা সন্মান প্ৰাপক ড° পীতাম্বৰদেৱ গোস্বামীক মাজুলীবাসীৰ অভিনন্দন



**অসম বাৰ্তা, মাজুলী, ১ ফেব্ৰুৱাৰী** ঃ ঊনৈশ বছৰত ভৰি দিয়া উত্তৰ পূৰ্বাঞ্চলৰ বহুল সমাদৃত বৈদ্যুতিন মাধ্যম 'নিউজ লাইভ'-এ কালি প্ৰতিষ্ঠানটিৰ অষ্টাদশ বৰ্ষপূৰ্তি অনুষ্ঠানত আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা আউনীআটীয় সত্ৰাধিকাৰ, মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, স্বনামধন্য বৈষ্ণৱ পণ্ডিত ড° পীতাম্বৰদেৱ গোস্বামীক'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰাত মাজুলীবাসীৰ লগতে উৎফুল্ল হৈ পৰিছে মাজুলী মহাবিদ্যালয় পৰিয়াল। 'নিউজ লাইভ'ৰ মুখ্য পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাৰ উপস্থিতিত কালি সত্ৰাধিকাৰগৰাকীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্মান প্ৰদান কৰাৰ পাছতে মাজুলীৰ বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলে সত্ৰাধিকাৰগৰাকীক অভিনন্দন জ্ঞাপন কৰি বাৰ্তা প্ৰেৰণ কৰিছে।

মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই মহাবিদ্যালয়খনিৰ পৰিচালনা সমিতিৰ সভাপতিগৰাকীক সশ্ৰদ্ধ অভিনন্দন জনাই কয়, "ৰাজ্যৰ ধৰ্মীয় তথা সাংস্কৃতিৰ ক্ষেত্ৰখনৰ অগ্ৰগণ্য পুৰোধা পুৰুষ ড° পীতাম্বৰদেৱ গোস্বামীয়ে বিগত সময়ছোৱাত নিজাববীয়া পৰিকল্পনাৰে বহুকেইটা ব্যতিক্ৰমী অনুষ্ঠান আয়োজন আৰু সু-সম্পন্ন কৰি প্ৰকৃততেই এক দৃষ্টান্তমূলক আৰ্হি দাঙি ধৰিছে। প্ৰচুৰ অধ্যয়নশীল সত্ৰাধিকাৰগৰাকী প্ৰকৃতাৰ্থতেই আমাৰ পথিকৃত বৰেণ্য লোক। 'নিউজ লাইভ' পৰিয়ালে এগৰাকী অত্যন্ত যোগ্যব্যক্তিক এই সন্মান যাচি সকলোৰে ধন্যবাদৰ পাত্ৰ হ'ল।" কালি সন্ধ্যা পাঞ্জাবাৰীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলা ক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ প্ৰেক্ষাগৃহত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা ড° পীতাম্বৰদেৱ গোস্বামীয়ে এই সন্মান গ্ৰহণ কৰাৰ বাৰ্তা পাই মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, মহিলা সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, সম্পাদিকা ড° অনন্যা বৰুৱা, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, সম্পাদক তুলসী ৰাজখোৱা, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক সদানন্দ ৰেগন, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, জিলা আপকুৰ সভাপতি ৰঞ্জন বৰা, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, টুনীনদী সুৰক্ষা আৰু উন্নয়ন সমিতিৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে সত্ৰাধিকাৰগৰাকীক অভিনন্দন জনাইছে।

## ভাৰতবৰ্ষ এখন সৰ্বদা হিন্দু ৰাষ্ট্ৰ ঃ চিন্ময় কিশোৰ

# নগাঁৱত হিন্দু সন্মিলন; ৰাষ্ট্ৰ নিৰ্মাণত ব্ৰতী আৰ এছ এছ

**ছয়গাঁও, ১ ফেব্ৰুৱাৰী** ঃ দক্ষিণ কামৰূপৰ বনগাঁৱত আজি বনগাঁও মণ্ডলৰ উদ্যোগত ঐক্যন সাংস্কৃতিক ৰংগমঞ্চ (সংগীত বিদ্যালয়, বনগাঁও)ত সনাতন ধৰ্মাৱলম্বী বিভিন্ন পন্থাৰ মাজত সমন্বয় আৰু হিন্দু সমাজক স্ব-ধৰ্ম আৰু স্ব-জাতি সন্দৰ্ভত সজাগতাৰ বাবে আজি এখনি বিশাল আৰু আকৰ্ষণীয় "হিন্দু সন্মিলন" অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত শিক্ষক মদন চন্দ্ৰ বড়োৱে বৃক্ষৰোপণ কৰে। তাৰ পিছত ভাৰত মাতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে সভাৰ আৰম্ভণি হয়। আয়তী সকলৰ নাম প্ৰসংগৰ পিছত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। হিন্দু সন্মিলনৰ সভাপতি ধীৰেন্দ্ৰ চন্দ্ৰ বৰ্মন ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সন্মিলনখনত শতাব্দী বৰ্ষ পূৰ্ণ কৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ পৰিক্ৰমাৰ বিভিন্ন দিশ অৱলোকন কৰে পূৰ্বোত্তৰ ভাৰত অধ্যয়ন সমূহৰ সদস্য তথা ৰাজ্যখনৰ যুৱ সামাজিক ৰাজনৈতিক নিবন্ধকাৰ চিন্ময় কিশোৰে। তেওঁৰ বক্তব্যত যোৱা এশটা বৰ্ষত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে যোগাই অহা - অৱদান, সংঘৰ ইতিহাস ও বৰ্তমান স্থিতি, স্বাধীনতা আন্দোলনত সংঘৰ ভূমিকা তথা হিন্দু সমাজৰ প্ৰতি



প্ৰত্যাহ্বানৰ ওপৰত তেওঁ আলোকপাত কৰে। নিজ বক্তব্যত তেওঁ কয়- যোৱা গৌৰৱজ্জ্বোল এশটা বছৰে ৰাষ্ট্ৰীয় স্বয়ম সেৱক সংঘ ৰাষ্ট্ৰ নিৰ্মাণ তথা হিন্দু সমাজক সংগঠিত কৰাৰ কামত ব্ৰতী হৈ আহিছে। ভাৰতবৰ্ষ এখন প্ৰাচীন তথা সৰ্বদা হিন্দু ৰাষ্ট্ৰ। ইয়াত নতুনকৈ কোনো স্বীকৃতিৰ প্ৰয়োজন নাই। এই সম্পৰ্কে তেখেতে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই পঞ্চপৰিৱৰ্তন হিচাপে আখ্যা দিয়া সামাজিক সমতা, পৰ্যাবৰণ সংৰক্ষণ, কুটুম্ব প্ৰবোধন, স্বদেশী আৰু নাগৰিক কৰ্তব্য এই - বিষয়কেইটা সম্পৰ্কত বিস্তৃত ব্যাখ্যা আগবঢ়ায় ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দক্ষিণ কামৰূপ জিলা সামাজিক সদ্ভাৱনা সংযোজক মুকুট চন্দ্ৰ দাস দেৱে। আনহাতে বিশ্ব সংবাদ কেন্দ্ৰ অসম প্ৰান্তৰ সহঃ প্ৰমুখ নেপচুন বৰ্মন ডাঙৰীয়াই হিন্দুত্বৰ ওপৰত সাৰুৱা ভাষণ প্ৰদান কৰি ৰাইজৰ মাজত হিন্দুত্ব অৱধাৰণা সুস্পষ্ট কৰা প্ৰয়াস কৰে। বিভিন্ন বাৰেৰহণীয়া সংস্কৃতিৰ প্ৰতিফলনেৰে কেবাটাও সাংস্কৃতিক কাৰ্য্যসূচী অনুষ্ঠিত হোৱা এই হিন্দু সন্মিলনখনত কেইবাশ ৰ ৰাইজৰ উপস্থিতিৰে সফলকাম হোৱাত আয়োজক সমিতিয়ে সকলোৰে শলাগ লয় আৰু ধন্যবাদ জ্ঞাপন কৰে।

# নাওবৈছাত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, নিমাতীঘাট, ১ ফেব্ৰুৱাৰী** ঃ সদৌ অসম গাঁওৰক্ষী বাহিনীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি নাওবৈছা পঞ্চৰত্ন সমাজ কল্যাণ কেন্দ্ৰত পালন কৰে। নাওবৈছা পুৰুষ, মহিলা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত আৰু যোৰহাট থানা সমিতিৰ সহযোগত অনুষ্ঠিত দিৱসত পুৱা অৱসৰপ্ৰাপ্ত শিক্ষক বিপিন বৰাই পতাকা উত্তোলন কৰাৰ পাছত বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে মাখন দত্ত, প্ৰদীপ কুমাৰ দত্ত আৰু লক্ষ্মী দত্তই অংশগ্ৰহণ কৰে। মহান শিল্পী জুবিন গাৰ্গৰ প্ৰতি অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জনায়। বালিগাঁও জগন্নাথ বৰুৱা আৰ্য বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অঞ্চলটোৰ বহু কেইজন বয়োজ্যেষ্ঠ ব্যক্তি উপস্থিত থাকে। সভাত অঞ্চলটোত অপৰাধমূলক কাৰ্য ৰোধ কৰি এখন সুস্থ সমাজ গঢ় দিয়াৰ ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ অৱদান অপৰিহাৰ্য্য বুলি বিভিন্নজনে ভাষণ প্ৰদান কৰে। স্মৰ্তব্য, যোৰহাটৰ হৰিনাৰায়ণ বৰুৱাৰ উদ্যোগতে ১৯৪৭ চনত সদৌ অসম গাঁওৰক্ষী বাহিনী প্ৰতিষ্ঠা হৈছিল।

# নাজিৰাত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, নামতি, ১ ফেব্ৰুৱাৰী** ঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৫৭ সংখ্যক জন্মদিন উপলক্ষে নাজিৰা নগৰৰ ৪ নং ৱাৰ্ডৰ হৰিজন পথৰ সমূহ ৰাইজে কেক কাটি জন্মদিন উদ্‌যাপন কৰে। উক্ত অনুষ্ঠানত বিজেপিৰ নেতা চাহ জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা আৰ্টফেডৰ উপাধ্যক্ষ প্ৰহ্লাদ গোৱালাই উপস্থিত থাকি কেক কাটি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে হৰিজন পথটিত বসবাস কৰা কণ কণ ছাত্ৰ-ছাত্ৰী আৰু শিশু সকলৰ মাজত বহী, কাঠপেঞ্চিল, ৰবৰ আৰু কলম বিতৰণ কৰে। উল্লেখযোগ্য যে প্ৰহ্লাদ গোৱালা আগন্তুক বিধানসভা নিৰ্বাচনৰ ৯৭ নং নাজিৰা বিধান সভা সমষ্টিৰ পৰা বিজেপিৰ সম্ভাব্য টিকট প্ৰত্যাশী চাহ জনগোষ্ঠীৰ নেতা।

# আজিৰে পৰা আৰম্ভ আছুৰ তিনিচুকীয়া জিলা সমিতিৰ বহু প্ৰত্যাশীত ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, মাকুম, ১ ফেব্ৰুৱাৰী** ঃ অসমৰ সৰ্ববৃহৎ ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাই অসমৰ জাতীয় জীৱনলৈ অহা প্ৰত্যাহ্বান সমূহৰ বিৰুদ্ধে যুঁজ দি অহাৰ উপৰিও অসমৰ শৈক্ষিক, অৰ্থনৈতিক, ক্ৰীড়া, সাহিত্য সংস্কৃতি ইত্যাদি বিভিন্ন দিশত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এশ বছৰীয়া ইতিহাস গৰকা সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত অন্যতম শক্তিশালী জিলা তিনিচুকীয়া জিলা ছাত্ৰ সন্থাইও কেতবোৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তাৰ সমান্তৰালভাৱে উঠি অহা নৱ প্ৰজন্মক ক্ৰীড়া দিশটো আগুৱাই নিয়াৰ লক্ষ্যৰে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আৰু মাকুমবাসী ৰাইজৰ আতিথ্যত ক্ৰীড়াৰ এটা সুস্থ বাতাবৰণ থকা মাকুম জ্যোতিনগৰ খেলপথাৰত আজিৰে পৰা অহা পৰা ৮ ফেব্ৰুৱাৰীলৈকে পোন প্ৰথমবাৰৰ বাবে এখনি ৰাজ্যিক পৰ্যায়ৰ আমন্ত্ৰণ মূলক প্ৰথম বাৰ্ষিক দিবা নৈশ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ



উদ্যোগত মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আৰু মাকুমবাসী ৰাইজৰ আতিথ্যত অনুষ্ঠিত কৰা উক্ত প্ৰতিযোগিতাখনৰ আজি শুভাৰম্ভ কৰা হয়। শুভাৰম্ভ অনুষ্ঠানত পুৱা আছুৰ আৰু অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগৰ লগতে অভ্যৰ্থনা সমিতিৰ সভাপতি অনন্ত ফুকনে। শ্বহীদ তৰ্পণ কৰে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সম্পাদক কনচেং গগৈয়ে, সহযোগিতা আগবঢ়াই অভ্যৰ্থনা সমিতিৰ মুখ্য সম্পাদক প্ৰবেন ফুকনৰ লগতে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাসে। শ্বহীদ তৰ্পণৰ সমান্তৰালভাৱে শ্বহীদ সকললৈ সন্মান জনাই মাকুমৰ শিল্পী সমাজৰ দ্বাৰা শীৰ্ষক "হে শ্বহীদ প্ৰণামো..." গীতেৰে কুৰাজ পৰিৱেশন কৰা হয়। তাৰ পাছতে বিয়লিভাগত অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ত্ৰিদীপ কুঁৱৰে ফুটবল প্ৰতিযোগিতাখনৰ উদ্বোধন কৰে। অসমৰ বিভিন্ন জিলাৰ যেনে পলো এফ চি ধেমাজি, মাকুম এফ চি, কাৰ্ছাং ক্লাব মাজুলি, বাৰেকুৰি এফ চি, যোৰহাট টাউন ক্লাৱ, ইউথেছ স্পৰ্টছ একাডেমী, গ্লোবেল এফ চি গোসাঁইগাঁও, আৰু নামৰূপ টাউন ক্লাৱ এই ৮টা দলৰ মাজত ফুটবল প্ৰতিযোগিতাখনি অনুষ্ঠিত হ'ব। চূড়ান্ত প্ৰতিযোগিতাত প্ৰথম বিজয়ী খিতাপ দখল কৰা দলটোক ট্ৰফী সহ ১,০০,০০০ টকা আৰু দ্বিতীয় বিজয়ী দলটোক ট্ৰফী ৬০,০০০ টকা প্ৰদান কৰা হব। আজিৰ শুভাৰম্ভ হোৱা প্ৰথমখন প্ৰতিযোগিতা পলো এফ চি ধেমাজি বনাম মাকুম এফ চি মাজত অনুষ্ঠিত হয়। সদৌ অসম ছাত্ৰ সন্থাই বিভিন্ন দিশৰ লগতে ক্ৰীড়া দিশটো উত্তৰণৰ কাৰণে এনে প্ৰতিযোগিতাৰ জৰিয়তে আগুৱাই নিয়াৰ প্ৰচেষ্টা অব্যাহত থাকিব বুলি আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়াই সংবাদ মাধ্যমৰ জৰিয়তে মত প্ৰকাশ কৰে। এই ৰাজ্যিক পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাই ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ লগতে ভাতৃত্ববোধৰ বিকাশ আৰু সুস্থ সমাজ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰে। লগতে প্ৰতিযোগিতাখনৰ বিগত দিনকেইটা সাফল্যমণ্ডিতভাৱে সম্পন্ন কৰাৰ বাবে মাকুমবাসী ৰাইজৰ সহযোগিতা কামনা কৰে উদ্যোক্তাসকলে। আজিৰ আৰম্ভণি অনুষ্ঠানত উপস্থিত থাকে মাকুম যুৱ ব্যৱসায়ী কল্যাণ চেতিয়া, প্ৰাক্তন আছুৰ নেতা বিনয় ডুবে, জিলাৰ আৰু আঞ্চলিক সমিতিৰ বিষয়ববীয়া সকল প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল।

# বকোৰ ২ নং বালাপাৰা (নোৱাপাৰা)ত ৫১৬ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন ভাষা কৃষ্টি সংস্কৃতিৰ সমাহাৰ ঘটাই সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, বকো, ১ ফেব্ৰুৱাৰী** ঃ কোচ ৰাজবংশী জনগোষ্ঠীৰ শৌয্য বিৰ্য্যৰ প্ৰতীক বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক বৰ্ষৰ জন্মজয়ন্তী বৰ্ষ বিগত বছৰবোৰৰ দৰে এই বৰ্ষও বকোত আয়োজন কৰা হৈছে। উল্লেখ্য যে; কামৰূপ জিলাৰ বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ উদ্যোগত আৰু স্থানীয় শাখা সমিতিৰ সহযোগত প্ৰতি বছৰে পালন কৰি আহিছে চিলাৰায় দিৱস। ইফালে এই বৰ্ষও সংগঠনটোৱে আঞ্চলিক সমিতিৰ অন্তৰ্গত ২ নং বালাপাৰা ( নোৱাপাৰা) গাঁও শাখাৰ সহযোগত তথা আই মাতৃ সকলোৰ প্ৰচেষ্টাত আয়োজন কৰা হৈছে ৫১৬ সংখ্যক বৰ্ষৰ চিলাৰায় দিৱস। ২ নং বালাপাৰা ( নোৱাপাৰা ) গাঁৱৰ ৰাজহুৱা খেলপথাৰত আয়োজিত চিলাৰায় দিৱসৰ বৰ্ণাঢ্য কাৰ্য্যসুচী দুই দিনীয়াকৈ বৰ্ণিল কাৰ্য্যসূচীৰে আয়োজন কৰা হৈছে। উল্লেখ্য যে বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি পবিত্ৰ কুমাৰ দাস আৰু সম্পাদক অৰবিন্দ দাস ওৰফে ধনে জনোৱা অনুসৰি চিলাৰায় বীৰ জনাৰ জন্মজয়ন্তী বৰ্ষ এই বেলি অহা ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত দুই দিনীয়াকৈ আয়োজন কৰা হৈছে। ইফালে বিস্তৃত কাৰ্য্যক্ৰমণিকা অনুসৰি ৩১ জানুৱাৰীত বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ আৰু আঞ্চলিক মহিলা সন্মিলনীৰ পৃথকে পৃথকে প্ৰতিনিধি সভা। প্ৰতিনিধি সভাত জনগোষ্ঠীটোৰ বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰা হয়। লগতে জনগোষ্ঠীটোৰ জনজাতিকৰণৰ সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত লব লগা কাৰ্য্যসুচী সন্দৰ্ভত আলোচনা কৰা হয়। ইফালে ১ ফেব্ৰুৱাৰীৰ কাৰ্য্যসুচী অনুসৰি ৰাতিপুৱা সমূহীয়া চাফাই অভিযান, গছপুলি ৰোপণ; প্ৰতিনিধিৰ নাম পঞ্জীয়ন আৰু প্ৰতিনিধি সভা। বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ বিষয় ববীয়া সকলোৰ উপস্থিতিত আৰু শাখাৰ পৰা অহা প্ৰতিনিধি সমাজৰ সহযোগত অনুষ্ঠিত হয় প্ৰতিনিধি সভাখন। আনহাতে ১ ফেব্ৰুৱাৰীত চিলাৰায় দিৱসৰ মূল কাৰ্য্যক্ৰমণিকা আয়োজন কৰা হয়। চিলাৰায় দিৱস উদযাপন কৰা স্থানত সমূহীয়া চাফাই অভিযান; সভাপতি পবিত্ৰ কুমাৰ দাসৰ জৰিয়তে পতাকা উত্তোলন; অৱসৰপ্ৰাপ্ত বায়ু সৈনিক শুক্লেশ্বৰ তালুকদাৰৰ দ্বাৰা স্মৃতি তৰ্পণ; অৱসৰপ্ৰাপ্ত অধ্যাপক হেমেন পাটোৱাৰীৰ জৰিয়তে বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ; ইয়াৰ পিছতে ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য তথা জননেতা নগৰমল স্বৰ্গীয়াৰীৰ জৰিয়তে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি নগৰমল স্বৰ্গীয়াৰীয়ে কয় যে- অসমৰ কোচ ৰাজবংশী সকলোৰ ঐতিহ্য বহন কৰা ইতিহাসে জনগোষ্ঠীটোক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিছে। প্ৰকাশ যে; বকোত আয়োজন কৰা চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীয় অধিবেশন। এই বেলি ২৬ সংখ্যক অধিবেশনৰ আজি অনুষ্ঠিত হয় মুকলি সভা। সভাপতি পবিত্ৰ কুমাৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি সভা আনুস্থানিকভাৱে উদ্বোধন কৰে ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰৱক্তা যতীন ৰাজবংশীয়ে। আদৰণি সমিতিৰ সভাপতি প্ৰদীপ দাসে আদৰণি জনোৱা সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সভাপতি তথা কোচ ৰাজবংশী জনগোষ্ঠীৰ বিশিষ্ট সাধক ত্ৰিদীপ পতি সিংহ। নিদিষ্ট বক্তাৰ ভাষণত সিংহ ডাঙৰীয়াই কোচ ৰাজবংশী জনগোষ্ঠীক ৰাজ্যৰ চৰকাৰী যন্ত্ৰই অনুসুচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত কৰি অহা প্ৰতাৰণা আৰু প্ৰৱঞ্চনা ওপৰত আলোকপাত কৰে। এই ক্ষেত্ৰত কোচ ৰাজবংশী জনগোষ্ঠীৰ নৱ প্ৰজন্মক সজাগ আৰু সচেতন হৈ জাতিৰ কাম কৰিবলৈ আহ্বান জনায়। মুকলি সভাত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ কাৰ্য্যকৰী বিষয়া জ্যেষ্ঠ জ্ঞাতি ডিম্বেশ্বৰ দাস; দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়; সহকাৰী সম্পাদক বিষ্ণু ৰাম দাস; বকো আঞ্চলিক সমিতিৰ উপদেষ্টা গৌৰাংগ চৌধুৰী; দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি/সম্পাদক ক্ৰমে মিলন কুমাৰ দাস আৰু দ্বীপেন দাস; সহকাৰী অশ্বিনী লহকৰ; দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি ৰিংকু ৰাভা আৰু সম্পাদক জয়ন্ত কলিতাৰ লগতে নেতৃবৃন্দ; কোচ ৰাজবংশী কালচাৰেল চোছাইটিৰ সভাপতি পংকজ বীৰ দাস; কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি নৱ ঠাকুৰীয়া আৰু সম্পাদক অপূৰ্ব কুমাৰ ৰয়; মহিলা সন্মিলনীৰ সভানেত্ৰী আৰু সম্পাদিকাৰ উপৰিও বহু সংখ্যক বিষয় ববীয়াই মুকলি সভাত অংশগ্ৰহণ কৰে। ইফালে চিলাৰায় দিৱস উদযাপন সমিতিৰ সভাপতি প্ৰদীপ দাস; উপ সভাপতি শংকৰ দাস; সাধাৰণ সম্পাদক অৰ্জুন দাস আৰু সহকাৰী সম্পাদক নয়ন ৰাভাই জনোৱা অনুসৰি চিলাৰায় দিৱস আৰু বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ ২৬ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বৰ্ণিল কাৰ্য্যসূচীৰ প্ৰতিটো বিষয় সুচাৰুৰূপে পৰিচালনা হৈছে আৰু দুয়োদিনৰ কাৰ্য্যসুচী সফল সামৰণি পৰে।

# ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্জ্বলিল ধেমাজিৰ তিনি কিশোৰী

**অসম বাৰ্তা, ধেমাজি, ১ ফেব্ৰুৱাৰী** ঃ ভাৰত চৰকাৰৰ খেলো ইণ্ডিয়াৰ অধীনত অনুষ্ঠিত হোৱা মহিলা ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত উজ্জ্বলি ধেমাজিৰ তিনি প্ৰতিযোগী। মহিলাৰ যোগাসন ক্ৰীড়া অস্মিতা ইষ্ট জ'ন লীগ, কলিংগ বিশ্ববিদ্যালয়, ভুৱনেশ্বৰ, ওড়িশাত যোৱা ২৮ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰী ২০২৬ তাৰিখলৈকে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত যোগাসন ধেমাজি জিলা সমিতিৰ তত্ত্বাৱধানৰ পোহৰ কলাকেন্দ্ৰৰ তিনি প্ৰশিক্ষাৰ্থীয়ে অসম দলৰ হৈ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিছিল। বিভিন্ন শিতানত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত অসম দলৰ হৈ অংশগ্ৰহণ কৰা মহিলা যোগাসন প্ৰতিযোগিতাখনিত ৰাষ্ট্ৰীয় পৰ্যায়ত তিনিটাকৈ পদক আজুৰি আনিবলৈ সক্ষম হয় ধেমাজিৰ তিনি খেলুৱৈ। চূড়ান্ত ফলাফল বিয়পি পৰা লগে লগে ধেমাজি ক্ৰীড়া প্ৰেমীৰ মাজত এতিয়া চৌদিশে উল্লাসৰ ঢৌ। বিভিন্নজনে যোগাসন ধেমাজি জিলা সমিতি আৰু পোহৰ কলাকেন্দ্ৰৰ সমগ্ৰ পৰিয়ালটোক প্ৰশংসা কৰাৰ লগতে কেন্দ্ৰটোৰ প্ৰশিক্ষাৰ্থী ক্ৰমে নিলাঞ্জনা বৰাই ৰূপৰ পদক, উপাসনা বৰুৱাই ৰূপ আৰু ব্ৰঞ্জৰ পদক, আৰু নেইনা চুতীয়াই ৰূপ আৰু ব্ৰঞ্জ পদক আজুৰি আনিবলৈ সক্ষম হয়। উল্লেখ্য যে ধেমাজিৰ অন্যতম অগ্ৰনীন যোগ প্ৰশিক্ষণ কেন্দ্ৰ পোহৰ কলাকেন্দ্ৰত জোনমনী (জুলি) চাংমাই বিভিন্ন বয়সৰ পুৰুষ মহিলা সহ কিশোৰ কিশোৰীক বিগত বহু বছৰ ধৰি নিতৌ যোগ প্ৰশিক্ষণ প্ৰদান কৰি ধেমাজিলৈ বিভিন্ন গৌৰৱৰ বতৰা কঢ়িয়াই আনিছে যদিও অতি পৰিতাপৰ বিষয় যে আজিকোপতি ধেমাজি জিলা প্ৰশাসন কিম্বা চৰকাৰৰ তৰফৰ পৰা কিঞ্চিতমানো সহাৰী পাবলৈ সমৰ্থন হোৱা নাই। যোগাসন ধেমাজি জিলা সমিতিৰ সভানেত্ৰী ভানুমতী পাৱ আৰু সম্পাদিকা জোনমনী চাংমাই এক বিবৃত্তি যোগে জনাইছে।

# ৰাজগড় শিশু কল্যাণ প্ৰাথমিক বিদ্যালয় আৰু সীমান্তজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মিলন সভা সম্পন্ন

**অসম বাৰ্তা, বান্দৰদেৱা, ১ ফেব্ৰুৱাৰী** ঃ লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা সমীপৰ তৰাজুলিস্থিত ১৯৫৯ চনতে প্ৰতিষ্ঠা লাভ কৰা ৰাজগড় শিশু কল্যাণ প্ৰাথমিক বিদ্যালয় আৰু ১৯৮৬ চনত প্ৰতিষ্ঠা হোৱা সীমান্তজ্যোতি মধ্য ইংৰাজী বিদ্যালয় দুখনৰ জ্ঞানৰ বন্তি গছিয়ে সৌৰভ বিলাই মানুহৰ মাজত প্ৰকৃত মানুহ হৈ জীয়াই থাকিবলৈ শ শ মানৱ সম্পদৰ সৃষ্টি কৰি আহিছে। তিনিকুৰি বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী বৰ্ষৰ দিশেৰে অগ্ৰগামী হোৱা উক্ত দুয়োখন বিদ্যালয়ৰ সমূহ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰি বিদ্যালয়ৰ বাকৰিত সৰগৰ নন্দন কানন সৃষ্টি কৰি অতীতৰ স্মৃতি ৰোমন্থন কৰাৰ মুখ্য প্ৰয়াস। ২০২৬ বৰ্ষৰ ৩১ জানুৱাৰী আৰু আজি ফেব্ৰুৱাৰী ১ তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সভাৰ আজি অনুষ্ঠিত মুকলি সভাখনি




শুভ উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ মোহন বৰাই আৰু সভাপতিৰ আসন অলংকৃত কৰে শংকৰদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা উক্ত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ড° তৰুণ কলিতাই। উল্লেখ্য যে প্ৰাক্তন ছাত্ৰী ডিম্পী হাজৰিকাৰ সম্পাদনাত "স্মৃতি ছায়া" নামৰ স্মৃতি গ্ৰন্থ খনি সভাত উন্মোচন কৰে শ্ৰীশ্ৰী শিয়ালমৰা সত্ৰৰ সত্ৰাধিকাৰ অৰুণ কুমাৰ গোস্বামীয়ে। মুখ্য অতিথি হিচাপে সভাত উপস্থিত থাকি সাৰুৱা ভাষণ প্ৰদান কৰে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমমণি শইকীয়াই। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসমীয়া চলচিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰী আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে খেৰাজখাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃদুল বুঢ়াগোহাঁই। সন্ধিয়া ভাগলৈ সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব অসমৰ অতিকৈ চিনাকি জনপ্ৰিয় কণ্ঠশিল্পী গীতালি দেৱীয়ে। অনুষ্ঠানটি সফল ৰূপায়ণ কৰাৰ বাবে উদযাপন সমিতিৰ সভাপতি দীপক বৰা, কাৰ্যকৰী সভাপতি অৰূপ কাকতি আৰু যুটীয়া সম্পাদক অৰবিন্দ হাজৰিকা, ৰণ্টু ভূঞাই সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# শিলচৰত পুনৰ ভয়ংকৰ হিট এণ্ড ৰান, ডাম্পাৰৰ খুন্দাত প্ৰাণ গ'ল বাইক আৰোহীৰ

**অসম বাৰ্তা, শিলচৰ, ১ ফেব্ৰুৱাৰী** ঃ শিলচৰ নগৰত পুনৰ সংঘটিত হ'ল এক হৃদয়বিদাৰক হিট এণ্ড ৰান দুৰ্ঘটনা। শুকুৰবাৰে নিশা শিলচৰ-ইম্ফল ৰাষ্ট্ৰীয় ঘাইপথৰ ৰংপুৰ ক্লক টাৱাৰৰ সন্মুখত দ্ৰুতগতিত অহা এখন ডাম্পাৰে বাইকত জোৰেৰে খুন্দা মৰাত ঘটনাস্থলতে মৃত্যু হয় এজন যুৱকৰ। দুৰ্ঘটনাৰ পিছতেই ডাম্পাৰখন সহ চালক পলায়ন কৰে। মৃত যুৱকজন উধাৰবন্দ শালগঙ্গা গাঁৱৰ বাসিন্দা প্ৰদীপ ধৰ বুলি চিনাক্ত কৰা হৈছে। ঘটনা সূত্ৰে জনোৱা মতে, প্ৰদীপ ধৰ আৰু ৰাজদীপ ধৰ নামৰ আন এজন যুৱক বাইকেৰে গৈ থকা অৱস্থাত হঠাৎ অহা ডাম্পাৰে পিছফালৰ পৰা প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে। ফলত প্ৰদীপ ধৰে ঘটনাস্থলতে প্ৰাণ হেৰুৱায় আৰু ৰাজদীপ ধৰ গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ পাছতে স্থানীয় ৰাইজে তৎপৰতাৰে আহত যুৱকজনক উদ্ধাৰ কৰি শিলচৰ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। ঘটনাৰ খবৰ পাই আৰক্ষী ঘটনাস্থলত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰিবলৈ যাওঁতেই এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উত্তেজিত ৰাইজে দুৰ্ঘটনাত জড়িত ডাম্পাৰ আৰু চালকক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবীত কিছু সময়ৰ বাবে শিলচৰ-ৰংপুৰ পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পিছত আৰক্ষীৰ আশ্বাসত অৱৰোধ উঠাই লোৱা হয়। স্থানীয় ৰাইজে অভিযোগ কৰে যে এই পথত ডাম্পাৰৰ দৌৰাত্ম্য অতি বৃদ্ধি পাইছে, যাৰ ফলত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ নিৰীহ লোকৰ প্ৰাণ হানি হৈছে। ৰাইজে শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# বঢ়মপুৰ ক্লাৱ লীগ; অকণবালা সোঁৱৰণী ক্ৰীড়া সংঘৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ১ ফেব্ৰুৱাৰী** ঃ নগাঁও জিলাৰ বঢ়মপুৰ ঠগী সূত ক্ৰীড়া প্ৰকল্পৰ অধীনত থকা ক্ৰিকেট খেলপথাৰত চলি থকা ক্লাৱ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা এখন লীগ খেলত অকণবালা সোঁৱৰণী ক্ৰীড়া সংঘই জয়লাভ কৰে। প্ৰথমতে বেট ধৰি অকণবালা সোঁৱৰণী ক্ৰীড়া সংঘই আটাইতকৈ উইকেট হেৰুৱাই ২৬-১ অভাৰত ১৩০ ৰাণ কৰাৰ বিপৰীতে ব্ৰীজ বাউঞ্চাৰ ক্লাৱে ১৬-৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৬ ৰাণ কৰিবলৈ সক্ষম হয়। খেলখনত অকণবালা সোঁৱৰণী ক্ৰীড়া সংঘৰ নয়ন বৰাই শ্ৰেষ্ঠ বেটছমেনৰ খিতাপ দখল কৰাৰ লগতে সীমান্ত হাজৰিকাই শ্ৰেষ্ঠ খেলুৱৈ আৰু বলাৰৰ সন্মান লাভ কৰে।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক আমি কেৱল থাপনাতে ৰক্ষা কৰি ৰাখিলো ঃ ড° প্ৰদ্যুম্ন গোস্বামী**

# নগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত বীৰ চিলাৰায় ৫১৬ তম্ জন্ম জয়ন্তী উদ্‌যাপন

## বৰ অসম গঢ়াত বীৰ চিলাৰায়ৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল ঃ ড° প্ৰদ্যুম্ন গোস্বামী

**অসম বাৰ্তা, নগাঁও, ১ ফেব্ৰুৱাৰী** ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যেতিয়া অসমত এক সাংস্কৃতিক আন্দোলন গঢ়ি তুলিছিল সেই সময়ত সমগ্ৰ বিশ্বই এক অন্ধকাৰত ডুব গৈ আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বাবেই আজি আমি অসমীয়া সমাজখন দেখিবলৈ পাইছো। যিখন অসমত আমি বাস কৰি আছো সেইখন অসম গঢ়াত মহাবীৰ চিলাৰায় অত্যন্ত গুৰত্বপূৰ্ণ ভূমিকা আছে। এই মন্তব্য কৰে বিশিষ্ট নিবন্ধকাৰ, অধ্যাপক ড° প্ৰদ্যুম্ন গোস্বামীৰ। নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ ডিমৌ চাৰিআলিৰ পূৱ শালমৰা ৰাজহুৱা খেলপথাৰত আজি দিনযোৱা কাৰ্যসূচীৰে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত বীৰ চিলাৰায় জন্ম জয়ন্তীটি ভাগত অংশগ্ৰহণ কৰি তেওঁ লগতে আৰু কয়- বীৰ চিলাৰায়ক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক লাচিত বৰফুকনক বিশ্বৰ দৰবাৰত আমি এজন মহান পুৰুষ বুলি দেখুৱাব নোৱাৰিলো। জাতীয়তাবাদৰ কথা যেতিয়া আহে তেতিয়া ভাষাৰ কথা আহে। ভাষাই এটা জাতিক একগোট কৰি ৰাখে। ধূতি পিন্ধি, ডিঙিত গামোচা ললেই অসমীয়া জাতিয়ে জাতি ৰক্ষা কৰিব নোৱাৰে। আজিৰ অসমত প্ৰায় ৫২ লাখ মানুহৰ নিজৰ মাটিৰ ওপৰত হাতত নাই। পেটত গামোচা বান্ধি আজি জাতিয়তাবাদী নহয়। অসমীয়া সমাজখনক অৰ্থনৈতিক জাতীয়তাবাদিৰে আৰম্ভ কৰক। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক কেৱল আমি থাপনতে ৰক্ষা কৰি ৰাখিলোঁ। তেওঁ আৰু কয়-অসমৰ বাহিৰত অসমৰ মানুহক এক বেলেগ দৃষ্টিৰে চোৱা হয়। এই সমগ্ৰ ব্যৱস্থাটোৰ কাৰণে আমি অসমীয়া সমাজখনেই দায়ী। প্ৰয়াত ভাৰতৰত্ন ড° ভূপেন হাজৰিকা, সদ্য প্ৰয়াত হিয়াৰ আমঠু জুবিন গাৰ্গ, অংগৰাগ মহন্ত, হিমা দাস, কাজিৰঙাৰ গড়, অসমৰ চাহপাতৰ বাহিৰে অসমক বাহিৰৰ মানুহে আজি ইমান ভালকৈ চিনি নাপায়। মহাৰাষ্ট্ৰ বীৰপুৰুষ চত্ৰপটি চিবাজীৰ দৰে আমাৰ মহাবীৰ চিলাৰায়ৰ বিষয়ে আজি যদি এনচিপিটিৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট হোৱা হয় আজি সমগ্ৰ দেশে বীৰ চিলাৰায়ৰ বিষয়ে জানিলে হেতেঁন। জাতি উদ্ধাৰৰ নামত আজি আমি ৪৭বছৰে কি কি হেৰুৱালো আমি এবাৰ সইয়া দ'কৈ ভাবিবৰ হ'ল। উদযাপন সমিতিৰ সভাপতি সুভাষ ডেকাই আদৰনি ভাষণ আগবঢ়োৱা আৰু সাংস্কৃতিক কৰ্মী প্লাৱিতা হাজৰিকাই সামগ্ৰীক ভাবে আতঁধৰা অনুষ্ঠানটিত আক্ৰাচুৰ সাংগঠনিক সম্পাদক মহেন্দ্ৰ নায়ক, নগাঁও জিলা সমিতিৰ সভাপতি মুন কাকতি, পংকজ বৰা, বিপ্লৱ সিংহ, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি সঞ্জয় কাকতি, নগাঁও জিলা কোচ ৰাজবংশীৰ সভাপতি সুকেশ বৰ্মন, সম্পাদক পৰেশ ডেকা, উজ্জ্বলজ্যোতি বৰা, অপূৰ্বজ্যোতি বৰা, চানু ডেকা, জয়ন্ত মাধৱ ডেকা, জীৱন শইকীয়া প্ৰমুখ্যে বহুকেইজন সদৌ কোচৰাজবংশীৰ নেতাই ভাষণ প্ৰদান কৰে। ইফালে পুৱা ৮বজাত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে পৰেশ ডেকাই। ইয়াৰ পাছতে স্ব-গোষ্ঠীয় পতাকা উত্তোলন কৰে সুভাষ ডেকাই, চিলাৰায় সেনাৰ পতাকা উত্তোলন কৰে সুকেশ বৰ্মনে, কোচ ৰাজবংশী মহিলা সমিতিৰ পতাকা উত্তোলন কৰে চম্পা বৰ্মনে। বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছতে শ্বহীদ তৰ্পণ কৰে জ্যোতিপ্ৰসাদ শইকীয়াই। বীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে উজ্জ্বলজ্যোতি বৰাই। পৰৱৰ্তী সাংস্কৃতিক বাৰেৰহণীয়া শোভাযাত্ৰা অনুষ্ঠিত হয়। উক্ত সাংস্কৃতিক শোভাযাত্ৰাত বৰঅসমৰ নান্দনিক প্ৰতিচ্ছবি প্ৰতিফলিত হয়। নিশালৈ দ্বীপশিখা আৰু খনিন হাজাৰিকাৰ গীতৰ শৰাই আৰু সাংস্কৃতিক অনুষ্ঠানেৰে বীৰ চিলাৰায় জন্ম জয়ন্তীৰ সামৰণি পৰে। উক্ত সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে। অনুষ্ঠানত সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

**বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে উজ্জ্বলিল নগাঁও**

# উত্তৰ শালমাৰা আৰু অভয়াপুৰীত ৫১৬ সংখ্যক চিলাৰায় দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১ ফেব্ৰুৱাৰী** ঃ কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত আজি দিনযোৱা কাৰ্যসূচীৰে বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক দিৱস পালন কৰা হয়। স্বায়ত্ত শাসিত পৰিষদৰ উত্তৰ শালমাৰাস্থিত সচিবালয় প্ৰাংগণত আয়োজন কৰা চিলাৰায় দিৱস উপলক্ষে চিলাৰায়ৰ স্থায়ী প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱশ ৰায়ে। তাৰ পাছতে বিভিন্ন অঞ্চলৰ পৰা আমন্ত্ৰিত বিশিষ্ট ব্যক্তিৰ লগতে সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হয় কোচৰাজবংশী জনগোষ্ঠীৰ কুশান নৃত্যক ধৰি বিভিন্ন জনগোষ্ঠীয় নৃত্য সমাৰোহ। দুপৰীয়া অনুষ্ঠিত হয় মুকলি সভা। স্বায়ত্ত শাসিত পৰিষদৰ প্ৰধান সচিব দ্বিপন বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাখনত সভাপতিত্ব কৰে মুখ্য কাৰ্যবাহী জীৱেশ বৰ্মনে। বঙাইগাঁও বিধান সভা সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰী কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, কাৰ্যবাহী পাৰিষদ অতুল ৰায়কে ধৰি আন-আন পাৰিষদ, কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি দ্বিজেন ভকত তথা নাথ -যোগী, সূত্ৰধৰ, কলিতা আদি জনগোষ্ঠীয় সংগঠনৰ নেতৃবৃন্দ। উক্ত মুকলি সভাত কোচৰাজবংশী সাহিত্য সভাৰ সভাপতি দ্বিজেন ভকতে ভাষণ প্ৰসংগত কয় যে বিশ্বৰ ভিতৰতে অন্যতম বীৰ চিলাৰায় যেন অসমতে উপেক্ষিত। অথচ তেওঁ আছিল অসমৰ ধৰ্মীয়-সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনৰ অন্যতম প্ৰতিভূ। কালাপাহাৰে ভাঙি থৈ যোৱা কামাখ্যা মন্দিৰ পুনৰনিৰ্মিত হৈছিল মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ তত্ত্বাবধানতে। গুৰুজনাক আতিথ্য দি চিলাৰায়ে নামধৰ্মৰ প্ৰচাৰৰ পথ প্ৰশস্ত কৰিছিল। আজিৰ এই মুকলি সভাতে আক্ৰাছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ ৰায়ক চিলাৰায় বঁটা প্ৰদান কৰা হয়। ইপিনে অভয়াপুৰীৰ বীৰ চিলাৰায়ৰ স্থায়ী প্ৰতিমূৰ্তি প্ৰাংগণতো আজি চিলাৰায় দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পতাকা উত্তোলন কৰে জ্যেষ্ঠ নাগৰিক অমিয় কুমাৰ সিংহই। তাৰ পাছতে বিজেপিৰ জিলা সভাপতি উজ্জ্বল কান্তি ৰায় আদিৰ উপস্থিতিত চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন বিধায়ক ভূপেন ৰায়ে। ভাষণ প্ৰসংগত সমাজকৰ্মী পাঠকে কয় যে চিলাৰায় আছিল সাহসী, যোদ্ধা আৰু বিচক্ষণ পণ্ডিত আছিল। চিলাৰায় অবিহনে কোচ বংশৰ ইতিহাস সম্পূৰ্ণ নহয় বুলি মন্তব্য কৰে পাঠকে। ইয়াৰ পূৰ্বে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উক্ত সাংস্কৃতিক শোভাযাত্ৰা উন্মোচন কৰে কে এ চিৰ মুখ্য কাৰ্যবাহী জীৱশ ৰায়ে। কাৰ্যসূচীত আঁত ধৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি চহেন ৰায়ে।



# নগাঁও হিন্দু মিলন মন্দিৰৰ উদ্যোগত মাঘী পূৰ্ণিমা মহোৎসৱ

**অসম বাৰ্তা, নগাঁও, ১ ফেব্ৰুৱাৰী** ঃ ভাৰত সেৱাশ্ৰম সংঘৰ অনুমোদিত নগাঁও হিন্দু মিলন মন্দিৰৰ উদ্যোগত কালিৰে পৰা অনুষ্ঠিত হোৱা বাৰ্ষিক উৎসৱ, শ্ৰীশ্ৰী মাঘী পুৰ্ণিমা মহোৎসৱৰ আজি সামৰণি পৰে। নগাঁও হিন্দু মিলন মন্দিৰৰ চৌহদত যোৱা কালি সন্ধিয়া অধিবাসৰে আৰম্ভ হোৱা মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে অনুষ্ঠিত হয় ভজন আৰু পূজাৰতি অনুষ্ঠান। আজি পুৱা ১০: ৩০বজাৰ পৰা নগাঁও চহৰত উলিওৱা হয় আকৰ্ষণীয় সাংস্কৃতিক শোভাযাত্ৰা। শ্ৰীকৃষ্ণ, হনুমান, শিৱৰ প্ৰতিকীপদ, বিহু, তিৱা, বড়ো, বাঙালী, নেপালী সাংস্কৃতিক দলৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ সমাহাৰেৰে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাই নগাঁও চহৰত এক দৃষ্টিনন্দন পৰিবেশৰ সৃষ্টি কৰে। জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰে উজ্জ্বলি উঠিল নগাঁও হিন্দু মিলন মন্দিৰৰ চৌহদ। ইয়াৰ পিছতে অনুষ্ঠিত হয় মহাভিষেক, অন্নকুট ভোগ আৰু পূজাৰতি অনুষ্ঠান। দুপৰীয়া মহাপ্ৰসাদ বিতৰণ অনুষ্ঠান সম্পন্ন হোৱাৰ পিছত মহাশঙ্খ ধ্বনিৰে শ্ৰীশ্ৰী গুৰু মহাৰাজৰ ১৩১ সংখ্যক জন্মলগ্ন উলুধবনি ঘোষণা আৰু শংঙ্খধ্বনিৰে প্ৰদীপ প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে ভজন, কীৰ্তন, শ্ৰীশ্ৰী সংঘগীতা পাঠ, শ্ৰীশ্ৰী গুৰু মহাৰাজৰ মহাজীৱনী পাঠ, ধৰ্মালোচনী আৰু পূজাৰতি অনুষ্ঠান অনুষ্ঠিত হয়। সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত মহোৎসৱ সফল কৰি তোলাৰ বাবে হিন্দু মিলন মন্দিৰৰ সভাপতি প্ৰহ্লাদ চন্দ্ৰ বণিক, উত্তৰ পূৱ ভাৰতৰ কেন্দ্ৰীয় হিন্দু মিলন মন্দিৰৰ কাৰ্যনিৰ্বাহক সদস্য সুজিত চন্দ্ৰ দাসে সকলোকে ধন্যবাদ জনাইছে।

# চামগুৰিৰ গটঙাত ৭০টা চোৰাং গৰু-ভৰ্তি দুখন ট্ৰাকসহ আঠজনক আটক

**অসম বাৰ্তা, পুৰণিগুদাম, ১ ফেব্ৰুৱাৰী** ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি গটঙা দশমীঘাট অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰু বিৰুদ্ধে অভিযান চলাই ৭০ টাকৈ চোৰাং গৰুসহ দুখন ট্ৰাক জব্দ কৰাৰ লগতে ৮ জনকৈ চোৰাং গৰু সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অৰূপ পাঠকৰ নিৰ্দেশ ক্ৰমে উপ- পৰিদৰ্শক চন্দন পাটোৱাৰীৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলে এক গোপন খবৰৰ ভিত্তিত গটঙা দশমীঘাট অঞ্চলৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা ৫-৩০ মান বজাত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ দলটোৱে অভিযান চলাই থকাৰ সময়ত কলিয়াবৰ দিশৰ পৰা নগাঁও অভিমুখে আহি থকা এ-এছ-২৫-ডি চি-১৬৯৭ আৰু এ-এছ-০১-ইউ চি-১৪৭৭ নম্বৰৰ চোৰাং গৰু ভৰ্তি দুখন ট্ৰাক আৰক্ষীৰ দলটোৱে জব্দ কৰে। পৰৱৰ্তী সময়ত ট্ৰাক দুখনৰ পৰা আৰক্ষীৰ দলটোৱে ৭০ টাকৈ চোৰাং গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, আৰক্ষীৰ দলটোৱে অভিযান চলোৱাৰ সময়ত ট্ৰাক দুখনৰ চালক আৰু পৰিচালকৰ পৰা গৰু সৰবৰাহৰ কোনো বৈধ নথিপত্ৰ লাভ কৰা নাই বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। অভিযানকাৰী আৰক্ষী দলটোৱে মৰিগাঁও জিলাৰ মায়ং থানাৰ অন্তৰ্গত কুৱানিবাৰীৰ মুস্তফা আহমেদ (৪১), ধেমাজী জিলাৰ চিলিপথাৰ গান্ধী নগৰৰ ফুলচান্দ আলী (২৫) আৰু হাছেন আলী (২৮), নগাঁও জিলাৰ খাটোৱাল থানাৰ অন্তৰ্গত গেৰুৱা আটিৰ মুকবুল হুছেইন (৩৬), শোণিতপুৰ জিলাৰ জামুগুৰি থানাৰ অন্তৰ্গত গোটাইমাৰীৰ হাবিজ উদ্দিন (২৫), বিশ্বনাথ জিলাৰ দোৰিয়া থানাৰ অন্তৰ্গত গিলাধাৰী মুখৰ আটাবুৰ ৰহমান(২৫), ধেমাজী জিলাৰ চিলাপথাৰ থানাৰ অন্তৰ্গত গেলুৱাৰ ৰাহিদুৰ আলী (৩০) আৰু ৰহমত আলীক (২৬) আটক কৰে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে আজি আটক কৰা চোৰাং গৰু সৰবৰাহকাৰী আঠজনক আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰখাৰ লগতে ট্ৰাক দুখনৰ পৰা উদ্ধাৰ কৰা চোৰাং গৰুকেইটা পৰৱৰ্তী সময়ত নগাঁও বেঙেনাআটিস্থিত জ্যোতি গো-শালালৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# ইংৰাজী শিক্ষাৰ উত্থানে আমাৰ মাতৃভাষাৰ বিপৰ্যয় নাহে ঃ ড° সংগীতা ৰাণী কলিতা

## গ্ল'বেল লেংগুৱেজ স্কুলৰ পাৰদৰ্শী শিক্ষাৰ্থীক গৰৈমাৰীত প্ৰমাণপত্ৰ বিতৰণ



**অসম বাৰ্তা, গৰৈমাৰী, ১ ফেব্ৰুৱাৰী** ঃ 'ইংৰাজী শিক্ষাৰ উত্থানে আমাৰ মাতৃভাষাৰ বিপৰ্যয় নাহে।'- ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী ছোৱালী হাইস্কুলৰ প্ৰেক্ষাগৃহত আজি ইংৰাজী ভাষা শিক্ষা কেন্দ্ৰ গ্ল'বেল লেংগুৱেজ স্কুল গৰৈমাৰীত অনলাইন যোগে অধ্যায়ন কৰি পাৰদৰ্শিতা লাভ কৰা শিক্ষাৰ্থীসকলক প্ৰদান কৰা প্ৰমাণপত্ৰ বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি গুৱাহাটীস্থিত বি আৰ এম চৰকাৰী আইন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° সংগীতা ৰাণী কলিতাই এইদৰে কয়। গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ অধ্যাপক জমিৰ উদ্দিন আহমেদৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গ্ল'বেল লেংগুৱেজ স্কুল গৰৈমাৰীৰ প্ৰতিষ্ঠাপক শিক্ষক লোকমান হুছেইন আনছাৰীয়ে। ড° সংগীতা ৰাণী কলিতাই নিজৰ মাতৃভাষাক সমানে মৰ্যাদা প্ৰদান কৰি বাকী ভাষা শিকিব পাৰো, আয়ত্তও কৰিব পাৰি বুলি উল্লেখ কৰি ভাষা শিকাটো একো দোষনীয় কথা নহয়, ঠিক একেটা সময়তে নিজৰ মাতৃভাষাকো গুৰুত্ব দিয়াটো প্ৰয়োজন থকা বুলি তেওঁ কয়। সভাত কামৰূপ, গোৱালপাৰা, হাইলাকান্দি, নগাঁও, মৰিগাঁও, বৰপেটাৰ লগতে ১৩খন জিলাৰ জিলাৰ পৰা অহা ২৫ গৰাকী অনলাইনযোগে ইংৰাজী ভাষা অধ্যায়ন কৰি পাৰদৰ্শিতা লাভ কৰা শিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। প্ৰমাণপত্ৰ বিতৰণ উপলক্ষে অনুষ্ঠিত সভাত মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আব্বাছ আলী আহমেদ, গৰৈমাৰী চায়েন্স একাডেমীৰ অধ্যক্ষ দোস্ত হাবিবুৰ ৰহমান, ৰয়েল ইংলিছ স্কুলৰ অধ্যক্ষ চুতাপা দে চৌধুৰী, কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ শিক্ষক নুৰুল ইছলাম, গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ অধ্যাপিকা কাঞ্চন চৌধুৰী অংশগ্ৰহণ কৰি ইংৰাজী ভাষা শিক্ষাৰ গুৰুত্বৰ বিষয়ে বক্তব্য ৰাখে।

# বিহালী অভয়াৰণ্যত দ্বিতীয়বাৰলৈ ৩ দিনীয়া পক্ষী গণনা, বনাঞ্চলিক বিষয়াৰ সংবাদমেল

**অসম বাৰ্তা, জিনজিয়া, ১ ফেব্ৰুৱাৰী** ঃ বিহালী অভয়াৰণ্যত দ্বিতীয়বাৰলৈ আৰম্ভ হৈছে পক্ষী গণনা। উত্তৰ অসমৰ একমাত্ৰ




চিৰসেউজ অৰণ্য ২০২২ চনৰ ৪ মেত অসম চৰকাৰে সংৰক্ষিত বনাঞ্চলৰ পৰা অভয়াৰণ্যলৈ উন্নীত কৰা বিহালী অভয়াৰণ্যত আছে বহু দুষ্প্ৰাপ্য পক্ষী, উদ্ভিদ তথা জীৱ। বিগত বৰ্ষৰ দৰে এইবাৰো যোৱা ৩০ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছে পক্ষী গণনা ২০২৬। এই সন্দৰ্ভত বৰগাং বনাঞ্চলিক বিষয়া চন্দন ৰাজখুৱাই এক সংবাদমেলযোগে বিগত বৰ্ষৰ পক্ষী গণনাৰ সংখ্যা প্ৰকাশ কৰি কয় ১৯৯ বিধ প্ৰজাতিৰ পক্ষী বিগত গণনাত পোৱা গৈছিল। চলিত বৰ্ষত পক্ষীৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিয়ে বন বিষয়া গৰাকীয়ে। গণনাত ৱাইল্ড হাৰ্ট ফাউণ্ডেশ্যনৰ সভাপতি ৰঞ্জিত কাকতী, ৰফিকুল ইছলাম, যুগল বৰা, লোচন গগৈ, মাধৱ গগৈ, পৰিক্ষিত কাফলেকে ধৰি বহুকেইগৰাকী বিশেষজ্ঞই অংশ লৈছে। ইয়াৰ উপৰিও পক্ষী গণনাৰ সময়ছোৱাত দলটোৱে ৭টা দুষ্প্ৰাপ্য টুপীমুৰীয়া বান্দৰ, শৰ পহুৰ লগতে বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তু প্ৰত্যক্ষ কৰে বুলি জানিবলৈ দিয়ে।

# গৰৈমাৰীত ভক্তিমূলক গীত-মাতেৰে ভাগৱতক লৈ শোভাযাত্ৰা

**অসম বাৰ্তা, গৰৈমাৰী, ১ ফেব্ৰুৱাৰী** ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ গোপীনাথ সত্ৰ ৰাইজ গয়ৰহৰ উদ্যোগত আজি ভক্তিমূলক গীত-মাতেৰে ভাগৱতক লৈ এখনি শোভাযাত্ৰা উলিয়ায়। জানিব পৰামতে কালি সন্ধিয়াৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে গৰৈমাৰী গোপীনাথ নামঘৰ প্ৰাংগণত আৰম্ভ হোৱা ৪২সংখ্যক গৰৈমাৰী সত্ৰ অখণ্ড ভাগৱত পাঠ অনুষ্ঠানটিৰ অংশ হিচাপে আজি দুপৰীয়া এই শোভাযাত্ৰা উলিওৱা হয়। কালি সন্ধিয়া বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নিতুল কলিতা আৰু প্ৰভাত কলিতাই। আজি পুৱা ধৰ্মধ্বজা উত্তোলন কৰে গৰৈমাৰী গোপীনাথ সত্ৰ ৰাইজ গয়ৰহৰ সভাপতি কৈলাস কলিতাই। দুপৰীয়া ভক্তিমূলক গীত-মাতেৰে ভাগৱতক লৈ উলিওৱা শোভাযাত্ৰা উদ্বোধন কৰে ছয়গাঁৱৰ ভকত বসন্ত গোস্বামীয়ে। কাৰ্যসূচীত আনন্দিৰাম কলিতা, কৈলাস কলিতা, দীপক মেধি, অনিৰুদ্ধ কলিতা, খৰ্গেশ্বৰ কলিতা, উদয় কলিতা, কমল কলিতা, বিপুল কলিতা, ৰাহুল কলিতা, বিশ্বজিৎ কলিতা, মহেশ্বৰ কলিতা, নাগেশ্বৰ কলিতা, উৰ্মিলা কলিতা, শয়ন্তি কলিতা, বীণা কলিতা, লাচিত কলিতা, জগন্নাথ কলিতা, মৃদুল মেধি, মহেন্দ্ৰ কলিতা, প্ৰবীণ কলিতা, বিনোদ কলিতা, হংসধৰ কলিতাকে প্ৰমুখ্যে কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে বহুসংখ্যক ধৰ্মপ্ৰাণ তথা ভকত পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। সন্ধিয়া বেদীত ভাগৱত স্থাপনৰ পিছতে অখণ্ড ভাগৱত অনুষ্ঠান আৰম্ভ হয়।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উপলক্ষে গুৱাহাটী পৌৰ নিগমৰ একাধিক সমাজমুখী কাৰ্যসূচী ৰূপায়ণ




**অসম বাৰ্তা, সোণাপুৰ, ১ ফেব্ৰুৱাৰী** ঃ অসমৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উপলক্ষে গুৱাহাটী পৌৰ নিগমৰ পাৰিষদসকলৰ উদ্যোগত মেয়ৰ শ্ৰী মৃগেন শৰণীয়াৰ নেতৃত্বত গুৱাহাটী মহানগৰীত একাধিক সমাজমুখী আৰু উন্নয়নমূলক কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীসমূহৰ জৰিয়তে সমাজসেৱা, পৰিৱেশ সংৰক্ষণ আৰু অন্তৰ্ভুক্তিমূলক উন্নয়নৰ এক শক্তিশালী সামাজিক বাৰ্তা প্ৰেৰণ কৰা হয়। দিনটোৰ কাৰ্যসূচীৰ আৰম্ভণি হয় বিৰুবাৰীস্থিত উদয়পুৰ মা কালী মন্দিৰত আয়োজিত প্ৰাৰ্থনা সভাৰে। এই উপলক্ষে মেয়ৰ শ্ৰী মৃগেন শৰণীয়াই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা নিবেদন কৰে। পৰিৱেশ সংৰক্ষণৰ অংশ হিচাপে মন্দিৰ প্ৰাংগণত বৃক্ষ ৰোপণ কৰাৰ লগতে নিম গছৰ পুলি বিতৰণ কৰা হয়। এই অনুষ্ঠানত বুথ সভাপতি সকলক সম্বৰ্ধনা জনোৱাৰ লগতে স্থানীয় ৰাইজ আৰু গুৱাহাটী পৌৰ নিগমৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। এই সময়ছোৱাত মেয়ৰে সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ পিছত মেয়ৰ শ্ৰী মৃগেন শৰণীয়াই বিৰুবাৰীস্থিত PASS (Parents' Association for the Welfare of Persons with Intellectual and Developmental Disabilities) প্ৰতিষ্ঠান পৰিদৰ্শন কৰি বিশেষভাৱে সক্ষম শিশু সকলৰ মাজত ফল-মূল বিতৰণ কৰে। এই উদ্যোগে বিশেষ সক্ষম শিশু সকলৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰাৰ লগতে অন্তৰ্ভুক্তিমূলক সমাজ গঢ়াৰ ক্ষেত্ৰত গুৱাহাটী পৌৰ নিগমৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ প্ৰতিফলিত কৰে। ইয়াৰ পিছত মেয়ৰ মৃগেন শৰণীয়াই ৰাজ্যিক চিৰিয়াখানাৰ সন্মুখত জু-ৰোড উৰণীয়া সেতুৰ তলত স্থাপিত মহিলা উদ্যমিতা হাটৰ অধীনত পাঁচখন বিপনী শুভ উদ্বোধন কৰে। এই বিপনীসমূহৰ জৰিয়তে মহিলা উদ্যোগীসকলক স্বাৱলম্বী কৰি তোলাৰ লগতে তেওঁলোকৰ বাবে স্থায়ী জীৱিকাৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰিও গান্ধী বস্তিৰ ২নং উপপথৰ উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰে। ব্যস্ত দিনটোৰ অন্তত মেয়ৰ শ্ৰী মৃগেন শৰণীয়াই ডং বি. বৰুৱা কেঞ্চাৰ প্ৰতিষ্ঠানত চিকিৎসাধীন কেঞ্চাৰ ৰোগীসকলৰ মাজত ফল-মূল বিতৰণ কৰি সহানুভূতি আৰু সংহতি প্ৰকাশ কৰে। উক্ত সকলো কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰাত গুৱাহাটী পৌৰ নিগমৰ সকলো পাৰিষদ, বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজৰ সক্ৰিয় সহযোগিতা আগবঢ়ায় বুলি মেয়ৰ শ্ৰী মৃগেন শৰণীয়াই মন্তব্য কৰে।

# ভাৰতীয় জনতা পাৰ্টি, অ.বি.চি মৰ্চা, ধুবুৰী জিলাৰ উদ্যোগত চিলাৰায় দিৱস

**অসম বাৰ্তা, আগমনি, ১ ফেব্ৰুৱাৰী** ঃ ধুবুৰী জিলাৰ গোলকগঞ্জত জিলা ভিত্তিত চিলাৰায় কলাক্ষেত্ৰৰ প্ৰাঙ্গনত ৫১৬ সংখ্যক চিলাৰায় জন্ম জয়ন্তী উৎযাপন। গোলকগঞ্জৰ চিলাৰায় কলাক্ষেত্ৰৰ প্ৰাঙ্গনত ভাৰতীয় জনতা পাৰ্টি ধুবুৰী জিলাৰ অ.বি.চি মৰ্চাৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয় চিলাৰায় দিৱস। পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচীৰ লগতে সংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। চিলাৰায়ৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পন কৰে প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰে। ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ নিৰ্দেশত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজিপিয়ে অনুষ্ঠিত কৰিছে চিলাৰায় দিৱসত এইজন বীৰৰ পৃষ্ঠপোষকতাত বৃন্দাবনী বস্ত্ৰ তৈয়াৰ হৈছিল আৰু ৰাজ আতিথ্যত মহাপুৰুষ শঙ্কৰদেৱ আৰু চৈতন্য দেৱে ঐতিহাসিক কামৰূপ, কামতা, কোচবিহাৰ ৰাজ্যত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰিছিল। বৰ কামৰূপ ৰাজ্যৰ ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশ ঘটিছিল। পৰৱৰ্তী সময়ত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ চেষ্টা দল আৰু চৰকাৰৰ। চিলাৰায় দিৱসৰ লগত সংগতি আদৰ্শ খেতিয়ক, খেলুৱৈ, সঙ্গীত শিল্পীকে ধৰি ১৬ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি, বক্তৃতা প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান, মুকলি সভাত আদৰণি ভাষণ দিয়ে ধুবুৰী জিলাৰ অ বি চি মৰ্চাৰ সভাপতি, গৌতম ৰায়, আহবায়ক, চিলাৰায় দিৱস উদ্‌যাপন সমিতি নিৰ্দিষ্ট বক্তা- পৰমেশ ৰায়, সহকাৰী অধ্যাপক, প্ৰগতি মহাবিদ্যালয়, আগমনি। বিশিষ্ট অতিথি ৰঞ্জিত ৰায়, সভাপতি, বিজেপি, ধুবুৰী জিলা সমিতি, বিজেপিৰ ধুবুৰী জিলা সম্পাদক কমলাকান্ত ৰায়, বিজেপিৰ গোলকগঞ্জ মণ্ডল সভাপতি গোবিন্দ অধিকাৰী আৰু বিশিষ্ট সংগীত শিল্পী তথা অসম ৰাজ্যিক বিজেপি অবিচি মৰ্চাৰ সাংস্কৃতিক কোষৰ সহঃ আহ্বায়ক প্ৰবীৰ কুমাৰ ৰায় সৰকাৰ সহ লগতে বিভিন্ন কেন্দ্ৰৰ পৰা অহা কাৰ্য্যকৰ্তা সকল উপস্থিত থকা পৰিলক্ষিত হৈছে। এই পবিত্ৰ দিনটোতে বিশ্ব মহাবীৰ চিলাৰায়ক শ্ৰদ্ধাৰে স্মৰণ কৰিছে দেশবাসীয়ে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন